হোৱা নাছিল। সেই যুগৰ অভিজাত শ্ৰেণীবহে মান ( Standard ) ৰক্ষা কৰিছিল। তেওঁ নিজে বঙলা ভাষা-সাহিত্যত দখল থকা বাবে গৌৰ-বাণ্বিত অনুভৱ কৰিছিল।

জোনাকী যুগৰ বুদ্ধিজীৱিসকলে নিজৰ নিজৰ ক্ষেত্ৰ অনুসৰি বঙ্গৰ নব্য জমিদাৰ বা অভিজাত বৰ্গৰ সৈতে ঘনিষ্ঠ হৈছিল।

জোনাকী যুগৰ নেতা বেজবৰুৱা আৰু আগৰৱালা দুয়োজনেই কলিকতাৰ কলেজত পঢ়াৰ লগতে সমান্তৰালভাৱে ব্যৱসায়ী জীৱনত নামি পৰে। পিছত এজন সফল পুঁজিপতি ভোলানাথ বৰুৱা তেওঁলোকৰ লগ লাগে। দুয়োজনেই ধনতান্ত্ৰিক পথৰ অসমীয়া পথিক হিচাপে পুঁজি গঢ়িবৰ বাবে ইংৰাজ বণিক শ্ৰেণী আৰু ভাৰতৰ অন্য প্ৰান্তৰ বৃহৎ ব্যৱসায়ী গোষ্ঠীৰ সৈতে ফেৰ মাৰিছিল।

কাঠৰ ব্যৱসায় কৰাৰ লগে লগে বেজবৰুৱাৰ মনত পুঁজিবাদী অৰ্থনীতিৰ মাজেৰে অসমীয়া জাতি গঠনৰ চিন্তাই বাহ লৈছিল। তেওঁৰ আৰু সহকৰ্মীবৃন্দৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ খোজে খোজে অসমীয়া জাতি আৰু ভাষা গঠনৰ চিন্তাও কাঠ ব্যৱসায়ৰ সৈতে সমান্তৰালভাৱে চলিছিল।

কেবাদশক আগতে আনন্দৰাম ঢেকিয়াল ফুকনে, "জি সময়ত হাবি গুছি ফুলবাৰী হ'ব, নৈত ডোঙা গুচি জাহাজ হ'ব, ঘৰ বাঁহৰ গুছি চূণ ইটাৰ হ'ব ..." বুলি সপোন দেখিছিল, জোনাকী যুগৰ অসমৰ তৰুণ বৃন্দই সেই সপোনক বাস্তৱত ৰূপ দিবলৈ অৰ্থনৈতিক প্ৰতিযোগিতাৰ যুদ্ধক্ষেত্ৰত সৈনিক হিচাপে থিয় হৈছিল। এই সৈন্যবাহিনীৰ আদৰ্শ আছিল নব্য সামন্তবাদ আৰু আংশিক পুঁজিবাদ প্ৰতিষ্ঠা কৰা। সেই সময়ত তেওঁলোকৰ সন্মুখত আদৰ্শ স্বৰূপে থিয় হৈছিল ইউৰোপৰ ধনতান্ত্ৰিক দেশসমূহ।

১৮৯০ চনত প্ৰকাশিত 'অগ্নিদল' কবিতা পুথিত অগ্নি কবি কমলাকান্ত ভট্টাচাৰ্য্যই অসমৰ উন্নতিৰ বাবে কি পদ্ধতি আৰু অৰ্থনীতি গ্ৰহণ কৰিব খোজে সেইটো প্ৰকাশ কৰিছে এনেদৰে—

"ধনেৰে চহকী কৰোঁ অসম জননী,
পাতো আহা আজি সকলোৱে
জাতীয় কোম্পানী।"

অসমৰ প্ৰাকৃতিক সম্পদৰাজি এই নতুন অসমীয়া বণিক শ্ৰেণীয়ে আহৰণ কৰিবলৈ যাওতে বঙালী, মাৰোৱাৰী, বিহাৰী, এইসকলৰ বিপক্ষে সততে যুঁজ কৰিব লাগিছিল। এওঁলোকে এই ক্ষেত্ৰত ভাৰতীয় বৃহৎ ধনীক শ্ৰেণীৰ শোষণকেই বেছি ভয়াবহ দেখিছিল; দেশীয় পুঁজিপতি বিলাকৰ বিপক্ষে যোৱাৰ বিপৰীতে তেওঁলোকে ইংৰাজৰ শোষণ-শাসনৰ বিৰুদ্ধে একো মাত মতা নাছিল।

ইংৰাজে আৰম্ভ কৰা চাহ শিল্পৰ থলুৱা অৰ্থনীতিৰ লগত কোনো সম্পৰ্ক নাছিল। আধুনিক শিল্প হ'লেও চাহ শিল্পই সামন্তীয় সমাজখনৰ পৰিবৰ্তনত সহায় কৰা নাছিল কাৰণ, মূলতঃ এই শিল্পৰ চৰিত্ৰও আছিল সামন্তীয়। ব্ৰিটিছে বাগানৰ বনুৱাক কৰা বৰ্বৰ অত্যাচাৰৰ তুলনা পাবলৈ নাই। বংগৰ এচাম সচেতন সমাজ কৰ্মীৰ বাহিৰে সেই সময়ত আন কোনেও এই বৰ্বৰতাৰ বিৰুদ্ধে মাত মতা নাছিল। তাৰ বিপৰীতে ১৮৮৬ চনৰ ডিচেম্বৰ সংখ্যা 'মৌ' আলোচনীত সম্পাদক বলিনাৰায়ণ বৰাই 'বেঙ্গলী' আৰু 'সঞ্জীৱনী' কাকতত দ্বাৰকা নাথ গাঙ্গুলীয়ে

অসমৰ চাহ বাগানৰ দুখ দুৰ্দশাৰ বিষয়ে লিখা দেখি লিখিছিল—"বাতৰি কাকত বিলাকে মিছাই সঁচাই কুলিৰ দুৰ্দশা বখনাই, বাগিছাৰ সাহাব বিলাক আৰু গবৰ্ণমেণ্টক গালি পাৰা সমুলি বলিয়াৰ বন। যদি আসামত কোনো শ্ৰেণী মানুহ আছে যাৰ ধন দিনে দিনে বাঢ়িব লাগিছে সেইয়ে কুলিৰ শ্ৰেণী। .. যদি আসামত এনে কোনো শ্ৰেণীৰ মানুহ আছে যাক গবৰ্ণমেণ্টে নিজৰ চকুৰ চাই নিজৰ পোৰ নিচিনাকৈ পালন কৰে সেইয়েই কুলিৰ শ্ৰেণী।"

অৱশ্যে লক্ষ্মীনাথ বেজবৰুৱাই এই প্ৰবন্ধৰ প্ৰতিবাদ জনাই বলিনাৰায়ণ বৰালৈ এখন চিঠি দিছিল, কিন্তু প্ৰতিকাৰৰ বিষয়ে মাত মাতিছিল বুলি জনা নাযায়।

অসমত যেতিয়া জগন্নাথ বৰুৱাই চাহ-বাগান খুলিছিল আৰু মাণিকচন্দ্ৰ, অন্নদাৰাম, ভোলানাথ আৰু লক্ষ্মীনাথে ব্যৱসায়ত নামিছিল তেতিয়াও অসমীয়া মধ্যবিত্ত ব্ৰিটিছৰ 'পুতৌ'ৰ পাত্ৰ আছিল, কাৰণ তেতিয়াও অসমীয়া মধ্য-বিত্ত বংগৰ দৰে এটা সংহত শক্তিত পৰিণত হোৱা নাছিল। কিন্তু ব্ৰিটিছৰ শোষণ নিপীড়ণে কৃষক প্ৰজাক এটা সংহত শক্তিত পৰিণত কৰিছিল। ১৮৬১ ৰ পৰা ১৮৯৪ লৈকে অসমৰ ইতিহাস কৃষক বিদ্ৰোহৰ ইতিহাস। ১৮৯৪ চনৰ পথৰুঘাটৰ ৰণত ১৪০ জন নিৰীহ বিদ্ৰোহী কৃষকে প্ৰাণ হেৰুওৱাৰ এবছৰ পূৰ্ব নৌহওঁতেই লক্ষ্মীনাথে ব্ৰিটিছৰ ওচৰত নিজ শ্ৰেণীৰ অৰ্থ-নৈতিক বিকাশৰ কাৰণে 'পুতৌ' ভিক্ষা কৰিছিল।

১৮৯৪ চনৰ ১৬ ফেব্ৰুৱাৰী তাৰিখে কলিকতা প্ৰবাসী অসমীয়া সকলৰ হৈ বি. এ. জগন্নাথে বৰলাট এলগিনক (১৮৯৪-৯৯) এখন দীঘলীয়া অভিনন্দন পত্ৰ দি অসমীয়া ৰাজভক্তি জ্ঞাপন কৰিছিল আৰু এই সুযোগতে অসমৰ অৱস্থা উন্নত কৰিবলৈ অনুৰোধ জনাইছিল। এই ৰাজভক্তি অসমীয়া জাতিৰ নাছিল, আছিল এটা শ্ৰেণীৰ। সেই সময়ত অসমীয়া প্ৰজাই পথৰুঘাট, লাচিমা, ৰঙিয়া আদি অঞ্চলত ব্ৰিটিছৰ শোষণ নিপীড়ণ, জনস্বাৰ্থ বিৰোধী নীতিৰ বিৰুদ্ধে বিদ্ৰোহ হে কৰিছিল।

সেই যুগত চিৰস্থায়ী বন্দবস্তই আনি দিয়া বংগৰ জমিদাৰ সকলৰ সামাজিক প্ৰভাৱ প্ৰতি-পত্তি দেখি অসমীয়া শিক্ষিত মধ্যবিত্ত শ্ৰেণী-টোৱেও জমিদাৰ হোৱাৰ বাসনা পুহি ৰাখিছিল। লক্ষ্মীনাথ বেজবৰুৱাই, অসমীয়া মধ্যশ্ৰেণী সেই সুবিধাৰপৰা বঞ্চিত হোৱাত আক্ষেপ প্ৰকাশ কৰি কৈছিল যে মাটিৰ চিৰস্থায়ী বন্দবস্তটোও বঙালীৰ কপালতহে আছিল। তেখেতে ইংৰাজৰ পুতৌ ভিক্ষা কৰি কৈছিল—"আমি গবৰ্ণমেণ্টক ইয়াকেহে কওঁ যে আমাকো চিৰস্থায়ী বন্দবস্ত কৰি দিয়া। আমাকো পুতৌ কৰা। আমাকো ডাঙৰ দীঘল, শকত আৰত হ'লৈ দিয়া"।

এই আক্ষেপ বেজবৰুৱাৰ ব্যক্তিগত আক্ষেপ নাছিল। বেজবৰুৱাৰ এই আক্ষেপৰ পিছতো তেওঁৰ শ্ৰেণীৰ আশা আকাঙ্খা আৰু বিকাশৰ প্ৰশ্নটো জড়িত হৈ আছিল বুলি অনু-মান কৰিব পাৰি। ইপিনে হেমচন্দ্ৰ গোস্বামী, গুণাভিৰাম বৰুৱা, ৰত্নেশ্বৰ মহন্ত, আনন্দচন্দ্ৰ আগৰৱালা আদিয়ে 'জোনাকী'ত ধৰ্মীয় কু-সংস্কাৰৰ বিৰুদ্ধে মাত মাতিছিল। কিন্তু এওঁ লোকে প্ৰাচীন সমাজ ব্যৱস্থা ভঙ্গ নকৰি মাত্ৰ পৰিশোধিত কৰাতহে সীমাবদ্ধ হৈ বৈ গৈছিল। হেমচন্দ্ৰ গোস্বামীয়ে নিজৰ মনৰ মধ্যযুগীয়া

ধৰ্মান্ধতাৰ বশত আৰু সম্ভৱতঃ ব্ৰাহ্মণ্য উচ্চাত্মিকা ভাৰৰদ্বাৰা পৰিচালিত হৈ বঙ্গদেশৰ বৈষ্ণৱ অনুষ্ঠানৰ লৈতে হাত মিলাইছিল।

'জোনাকী' যুগৰ অসমীয়া বুদ্ধিজীৱি সকলে কানিৰপৰা অসমীয়া সমাজক মুক্ত কৰাৰ উদ্দেশ্যে কাপ যুদ্ধ চলাইছিল। কিন্তু কানি বৰবিহ যে আহোম স্বৰ্গদেউ আৰু সাম্ৰাজ্যবাদী ইংৰাজৰ অভিশাপ তাক কোৱাৰ ক্ষমতা নাছিল।

আধুনিক জাতি গঠনত ভাষাৰ ভূমিকা অনস্বীকাৰ্য্য। হেমচন্দ্ৰ বৰুৱাৰ অমৰ কীৰ্তি 'হেমকোষ'এ আধুনিক অসমীয়া ভাষাৰ ভেটি সুদৃঢ় কৰে। সেইদৰে অসমীয়া শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ বিকাশ সাধনত কটন কলেজৰ ভূমিকা অনস্বীকাৰ্য্য। ইয়াৰ পিছত ১৯০৩ চনত জগন্নাথ বৰুৱা আৰু মানিকচন্দ্ৰ বৰুৱাৰ উদ্যোগত গঢ় লৈ উঠা 'আসাম এছোছিয়েশ্যনে' অসমৰ ৰাজনৈতিক ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰে। এই সংগঠনৰ তলত সমবেত হোৱা শিক্ষিত মধ্যশ্ৰেণীৰ ৰাজনীতি আছিল তেওঁলোকৰ স্বাৰ্থৰ পৰিপোষক। ব্ৰিটিছ শাসনৰ সহযোগী হিচাপে থাকি ব্ৰিটিছৰ সন্মান আৰু স্বাৰ্থত আঘাট নকৰাকৈ স্বদেশৰ উন্নতিৰ কথা চিন্তা কৰা আৰু প্ৰজাসাধাৰণ যাতে চৰকাৰৰ প্ৰতি বিতুষ্ট নহয় তাৰ কাৰণে চৰকাৰী বিধি ব্যৱস্থাবোৰ যে ৰাইজৰ কল্যাণ সাধিবলৈ কৰা হৈছে সেইটো, জনসাধাৰণক বুজোৱা, এয়ে আছিল সেই সময়ৰ শিক্ষিত মধ্যশ্ৰেণীৰ ৰাজনীতি।

অসমত ১৯২০ চনলৈ এই 'আসাম এছোছিয়েশ্যনেই অসমীয়াৰ ৰাজনৈতিক আন্দোলনৰ ঘাই কেন্দ্ৰ আছিল। কিন্তু ইমান দিনৰ ভিতৰতো ১৯২০ চনৰ আগৰ কংগ্ৰেছৰ দৰে. এই এছোছিয়েশ্যনো জাতীয় অনুষ্ঠানত পৰিণত হ'ব পৰা নাছিল। আছাম এছোছিয়েশ্যনে' অসমীয়াৰ মুক্তি বিচৰা নাছিল। তেওঁলোকে মাত্ৰ বিচাৰিছিল চাকৰি আদিৰ সুবিধা। অসমীয়া গাৰ্হলীয়া ৰাইজক কাৰ্য্যৰদ্বাৰা আৰু ত্যাগৰদ্বাৰা এই অনুষ্ঠানৰ নেতাসকলে অনুপ্ৰাণিত কৰিব পৰা নাছিল। সাম্ৰাজ্যবাদ বিৰোধী জাতীয়তাবাদী চিন্তাধাৰা, জাতীয় কংগ্ৰেছৰদৰে এছোছিয়েশ্যনতো উপস্থিত নাছিল। বংগ ভংগ আন্দোলনে স্বদেশী আন্দোলনৰ ৰূপ লাভ কৰাৰ পিছৰপৰা সাম্ৰাজ্যবাদ বিৰোধী জাতীয়তাবাদী চিন্তাধাৰা সমগ্ৰ ভাৰতত্তে প্ৰবল হৈ উঠিছিল। কিন্তু এই স্বদেশী আৰু বয়কট আন্দোলনৰ পৰা অসমীয়া শিক্ষিত শ্ৰেণী সচেতন ভাবেই আঁতৰি আছিল। এই স্বদেশী আন্দোলন যে ব্ৰিটিছৰ কাৰণে বিভীষিকা হৈ থিয় দিছে সেই কথা তেখেতসকলে সচেতনভাৱেই উপলব্ধি কৰিছিল। অসমীয়া জনসাধাৰণৰ মন যাতে স্বদেশী আন্দোলনৰ প্ৰতি আকৃষ্ট নহয় তাৰ প্ৰতিও এই শ্ৰেণীটো সচেতন আছিল। সেয়েহে অসমীয়া শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ মধ্যমণি মাণিক চন্দ্ৰ বৰুৱাই অসমীয়াৰ দুৰৱস্থাৰ প্ৰধান কাৰণ ব্ৰিটিছৰ শোষণ নিপীড়ণৰ বিষয়ে উল্লেখ নকৰি হাস্যকৰভাৱে 'স্বাস্থ্যহীনতা'কেই ইয়াৰ প্ৰধান কাৰণ হিচাপে তুলি ধৰিছিল। তেখেতে ব্ৰিটিছৰ বিৰুদ্ধে গঢ় লৈ উঠা স্বদেশী আন্দোলনৰ বিৰোধিতা কৰি স্বাস্থ্যৰক্ষা, জাতীয় আয়ুৰ্বৈদিক স্কুল আৰু ঔষধালয়ৰ পুনৰ উদ্ধাৰ ইত্যাদিৰ দ্বাৰা অসমীয়াৰ দুৰৱস্থা ৰোধ কৰিবলৈ প্ৰয়াস কৰিছিল।

১৯০৫ চনৰ অক্টোবৰ মাহত অসমে

স্বকীয়া প্ৰদেশৰ মৰ্য্যাদা হেৰুৱায়। তথাপি বংগ ভংগক কেন্দ্ৰ কৰি গঢ়ি উঠা স্বদেশী আন্দোলনে অসমীয়া বুদ্ধিজীৱিক প্ৰভাৱিত কৰিব পৰা নাছিল। 'আসাম এছোছিয়েশ্যনে' কাৰ্জন আঁচনিৰ মৃদু প্ৰতিবাদ কৰিলেও তাক বাধা দিয়াত আগ্ৰহ প্ৰকাশ কৰা দেখা নগৈছিল। পদ্মনাথ গোহাঞি বৰুৱাই ১৯০৫ চনৰ ১০ জুলাইৰ 'আসাম বন্তি' ৰ সম্পাদকীয়ত লিখিছিল—

"গৱৰ্ণমেণ্টে গাৰ বলেৰে কৰিম বুলি কঁকালত টঙালি বান্ধি ওলাইছে। গতিকে এনে সময়ত প্ৰজাৰ যুক্তিসঙ্গত প্ৰতিবাদেও টিকিব নোৱাৰে। গৱৰ্ণমেণ্টে কৰিব খোজা সকলো কৰক, কিন্তু কি দোষত 'আসাম' নামৰ অস্তিত্বকো লোপ কৰিব ওলাইছে বুজিব নোৱাৰিলোঁ।"

মাণিকচন্দ্ৰ বৰুৱাই ১৯১১ চনত পঞ্চম জৰ্জৰ দিল্লীত হোৱা অভিষেকত যি ৰাজভক্তি প্ৰকাশ কৰিছিল, সেই বিষয়ে পদ্মনাথ গোহাঞি বৰুৱাই অত্যধিকভাৱে বৰ্ণনা কৰি কম ৰাজভক্তি দেখুওৱা নাছিল। এনে অত্যাধিক ৰাজ আনুগত্যই সাম্ৰাজ্যবাদ বিৰোধী জাতীয়তাবাদক বাট এৰি দিয়া সম্ভৱ নাছিল।

অসমত ইংৰাজ শাসকৰ সাম্ৰাজ্যবাদী স্বাৰ্থতেই অসমীয়া ভাষাক প্ৰায় দুকুৰি বছৰ বনবাস দিয়া হৈছিল আৰু শাসন চলোৱাৰ সুবিধাৰ বাবে বঙালী ভাষা চলাইছিল। কিন্তু জোনাকী যুগৰ ত্ৰিমূৰ্ত্তিৰ অন্যতম হেমচন্দ্ৰ গোস্বামীয়ে ৰাজভক্তি অটুত ৰাখিবলৈ লিখিলে—

"যদিও অসমৰ পঢ়াশালি আৰু আদালতত, অসমীয়া ভাষাৰ সলনি বঙালী ভাষা সুমুৱাত আমাৰ ইমানবোৰ হানি হৈছিল. তথাপি হক কথা ক'বলৈ গ'লে, আমি সেইবাবে ইংৰাজ শাসন প্ৰণালীত দোষ দিব নোৱাৰোঁ।"

নীলকুমুদ বৰুৱা (ইন্দিবৰ বৰুৱা) ৰচিত 'জীৱনাদৰ্শ' গ্ৰন্থখনি ৰামদাস গোস্বামীয়ে (ৰত্নেশ্বৰ মহন্ত) 'জোনাকী'ত বিভিন্ন দিশৰ পৰা আলোচনা কৰি, গ্ৰন্থখনিত বৰ্ণনা কৰা পিয়লি ফুকনৰ আত্ম-বলিদানৰ প্ৰসঙ্গত এইদৰে লিখিছিল—

"পিয়লি ফুকনৰ কাৰ্য্যক কোনো জ্ঞানীয়ে নশলাগে, তেওঁক ফাঁচী দিয়া কাৰ্য্যত আমি প্ৰতিবাদ নকৰোঁ, ৰাজদ্ৰোহীৰ প্ৰাণদণ্ডই উচিত শাস্তি।"

ইংলণ্ডৰ প্ৰিন্স অৱ ৱেলচক ভাৰতত স্বাগতম নজনাই মহাত্মা গান্ধী আৰু কংগ্ৰেছে সমগ্ৰ ভাৰততে হৰতাল আহ্বান কৰিছিল। জোনাকী যুগৰ অন্যতম সহযাত্ৰী ভোলানাথ বৰুৱাই এই ঘটনাক প্ৰিন্স অৱ ৱেলচৰ লগতে নিজৰ কাৰণেও অপমানজনক বুলি বিবেচনা কৰি আৰু এই হৰতালৰ প্ৰতিবাদ স্বৰূপে যোৰহাটত প্ৰিন্স অৱ ৱেলচৰ নামত এখন টেকনিকেল স্কুল খুলিবলৈ ততালিকে ভাৰতৰ শাসক বৃন্দৰ হাতত একলাখ টকা দান দিছিল।

লক্ষ্মীনাথ বেজবৰুৱাই স্বদেশী আন্দোলনক প্ৰত্যক্ষভাৱে ব্যঙ্গ বিদ্ৰুপ কৰি জনগণক বিভ্ৰান্ত কৰাৰ কথা সৰ্বজন বিদিত। ১৯০৯ চনত প্ৰকাশিত 'কৃপাবৰ বৰবৰুৱাৰ ওভতনি'ৰ "ভাৰত উদ্ধাৰ" আৰু 'বন্দেমাতৰম' এই ৰচনা দুখন তাৰ উৎকৃষ্ট উদাহৰণ।

"বক্তৃতা কৰি ভাৰত উদ্ধাৰ কৰিবলৈ যোৱাটো দিখৌ নৈৰ পলবোকাত পৰা বুঢ়ী গাইক লেজু লগাই বল দি নেটানি দূৰৈৰ পৰা মুখেৰে হেলৌ-হেচৌ কৰি তুলিবলৈ যোৱাৰ নিচিনা।" ..

"লোণ-চেনি কাছটি দলিয়াই পেলাই দিগম্বৰ বাবু হৈ ভাৰত উদ্ধাৰ কৰিব নালাগে বোপাইহঁত... এইবিলাক ল'ৰালি কৰি লোক হাঁহিয়াত নকৰি মানুহ হ'বলৈ শিক, বেহা-বেপাৰ, শিল্প, কল-কাৰখানা সিদ্ধিবস্তু; অ, আ, ই, ঈ ইংৰাজৰ ভৰিৰ ওপৰত বহি শিক, লিখা-পঢ়াৰ লগে লগে আত্মসন্মান মনুষ্যত্ব শিক।"

যি সময়ত ভাৰতীয় জনসাধাৰণে, স্বদেশী আন্দোলনৰ মাজেৰে লাহে লাহে উপলব্ধি কৰিবলৈ ধৰিছিল যে ব্ৰিটিছ আৰু ভাৰতবাসীৰ স্বাৰ্থ একে নহয়, ভাৰতবাসীৰ উন্নতি ব্ৰিটিছৰ কাম্য নহয়, সেই সময়ত বেজবৰুৱাই ব্ৰিটিছৰ অনুগ্ৰহতহে ভাৰতীয় মহাজাতিৰ আৰ্থিক, বৌদ্ধিক বিকাশ সম্ভৱ বুলি বিশ্বাস কৰিছিল।

'বন্দেমাতৰম্' ধ্বনিয়ে বংগ তথা ভাৰতৰ অন্যান্য ঠাইৰ জনসাধাৰণক ব্ৰিটিছৰ বিৰুদ্ধে ঐক্যবদ্ধ কৰাত বেজবৰুৱা সচকিত হৈ উঠি অসমীয়া মানুহক স্বদেশী আন্দোলনৰ প্ৰভাৱৰ পৰা আঁতৰত ৰাখিবলৈ প্ৰচেষ্টা চলাইছিল।

"বাবুহঁতৰ স্বদেশী সভা আৰু বক্তৃতা হৈছে, আৰু থাকি থাকি বন্দেমাতৰম বুলি এটাই খনে টেটু ফটা চিয়ঁৰ মাৰিছে। ... এৰেঁই বন্দে-মাতৰং নে? যাৰ প্ৰতাপত দেশত সকলোৱে থৰযুগুতি এৰিব লাগিছে এৰেঁইনে তেওঁ? এওঁৰ বেৰনিতে তেওঁলোকে ইমানকৈ মনত অশান্তি অনুভৱ কৰিছেনে? বিশ্বাস নহয়।"

"দেউতা! বন্দীৰ দায় মৰষিব। সবাহত কোটিকালৰ পৰা চলি অহা হৈ ধ্বনি নিদি তাৰ বদলি 'বোন্দা মাতৰং' বোলা শুনি বুঢ়া বন্দীয়ে বৰ দুখ পালো।"

"ক'ত হৰি ধ্বনি আৰু ক'ত বোন্দাৰ মাত।"

সাম্ৰাজ্যবাদী ইংৰাজসকলে শোষণৰ কাল বিস্তাৰিত কৰিবলৈ আন্দোলনমুখী ভাৰতীয় জন-সাধাৰণৰ মাজত অনৈক্য আৰু বিভেদ সৃষ্টি কৰিবলৈ হিন্দু-মুছলমান, অসমীয়া-বঙালী, আদি সাম্প্ৰদায়িকতাক যে লালন-পালন কৰিছিল সেইটো ঐতিহাসিকভাৱে সত্য। কিন্তু জোনাকী যুগৰেই নহয়, ঊষা-বাহীৰ যুগৰ অসমীয়া বুদ্ধি-জীৱি নেতাই ইংৰাজ শাসকক ইয়াৰ বাবে দায়ী কৰিব খোজা নাই।

'কৃপাবৰ বৰুৱাৰ প্ৰত্যাগমণ'ত বেজবৰুৱাই লিখিছিল—

"... আচল ব্ৰিটিছ গৱৰ্ণমেণ্ট এনে নীচ নহয় যে হিন্দু আৰু মুছলমান প্ৰজাৰ ভিতৰত দণ্ড লগাই দি সিহঁতক ঘূৰ্ণীয়া কৰি গচকি মূৰ দাঙিব নিদিয়াকৈ শাসন কৰিবৰ মন কৰিব। ব্ৰিটিছ গৱৰ্ণমেণ্টে কি কয় জানিব খোজা যদি আই মহাৰাণী ভিক্টোৰীয়াৰ বাইক স্মৰণ কৰা, মহামতি মেকলেৰ সোণৰ ৰূপৰ মুখৰ পৰা ওলোৱা কথা পঢ়ি চোৱা, বৰ মনৰ মানুহ গ্লেডষ্টোনৰ বচন মনত পেলোৱা, ব্ৰাইট, ফচেট, ৰেডলাৰৰ বাণীৰ মৰ্ম বুজা, ঋষি মুণিৰ নিচিনা সাধুলোক লৰ্ড ৰিপণক সোধা।"...

'জোনাকী গোষ্ঠীয়ে, অসমীয়া মানুহ সকলো দিশতে অনগ্ৰসৰ বুলি বিনয়েৰে স্বীকাৰ কৰিছিল যদিও, এই অনগ্ৰসৰতাৰ মূল কাৰণ নিৰ্ণয় কৰি তাৰ প্ৰতিকাৰ কৰাৰ পৰা সচেতনভাৱেই বিৰত আছিল। তৎকালীণ অসমৰ সামাজিক অৰ্থ-নৈতিক সমস্যাৱলীৰ সন্মুখীন হোৱাৰ সাহস আৰু মানসিকতা এটাও তেওঁলোকৰ নাছিল। অৱশ্যে 'জোনাকী' য়ে সচেতনভাৱে যি সাহিত্যিক আন্দোলন গঢ়ি তুলিছিল, আধুনিক অসমীয়া

ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশত তাৰ অৱদান অনস্বীকাৰ্য্য। কিন্তু তাৰ বিনিময়ত তেওঁলোকে অৰ্থনৈতিক, ৰাজনৈতিক মুক্তিক পৰিহাৰ কৰিছিল।

ইউৰোপীয় সাহিত্যৰ পৰা এওঁলোকে যি প্ৰেৰণা লাভ কৰিছিল, সি আন্তৰিক হ'লেও দেশৰ মাটিৰ লগত সেই সাহিত্যৰ কোনো সম্পৰ্ক নাছিল। 'জোনকী' গোষ্ঠীৰ ৰোমাণ্টিক সাহিত্য সম্পৰ্কে ছৈয়দ আব্দুল মালিকে লিখিছে—

"নতুন কবিতাৰ আটাইতকৈ বিপ্লৱী আৰু অভিনৱ কথা হ'ল দেৱতাৰ ঠাইত মানুহক প্ৰতিষ্ঠা কৰা।"

'চন্দ্ৰকুমাৰে মানুহক দেৱতাৰ আসনত বহুৱালে। কিন্তু এই মানুহ নিৰ্বিশেষ মানুহ অসমীয়া বা ভাৰতীয় মানুহ নহয়। এই সময়ৰ কবিতাবোৰত সমসাময়িক অসম বা অসমীয়া মানুহৰ দুখ, বেদনা, হাঁহি, অশ্ৰুৰ ৰাজনৈতিক চিন্তাৰ গোন্ধভাৰো নথকাটো মন কৰিবলগীয়া কথা"।

"বেজবৰুৱাৰ পুৰণি পৃথিৱী নকৈ চোৱাৰ হাবিয়াস আছে কিন্তু সমকালীন সমস্যাৰ সন্মুখীন হোৱাৰ মনোবৃত্তি নাই।"

"দুৱৰাই প্ৰেমক জীৱনৰ শ্ৰেষ্ঠতম আসন দিছে কিন্তু জীৱনক আৰু জীৱন সংগ্ৰামক অস্বীকাৰ কৰিছে।"

"..আমাৰ প্ৰথম ভাগৰ ৰোমাণ্টিক কবি সকলৰ কাৰ্য্যৰ প্ৰেৰণা জীৱনৰ কোনো গভীৰ উপলব্ধিৰ পৰা অহা নাছিল, আহিছিল ইংৰাজী আৰু বঙলা কাব্য সাহিত্যচৰ্চাৰ পৰা।"

'জোনাকী'য়ে এসময়ত ব্ৰিটিছৰপৰা প্ৰশংসা লাভ কৰাত অসমীয়া বুদ্ধিজীৱিয়ে গৌৰৱবোধ কৰিছিল। ব্ৰিটিছৰ প্ৰশংসা লাভ কৰিব পৰাটোকে তেওঁলোকে কৃতিত্বৰ মাপকাঠি বুলি বিবেচনা কৰিছিল।

তৎকালীন অসমৰ বুদ্ধিজীৱি সকল আহিছিল এমুঠিমান শিক্ষিতলোকেৰে গঠিত অভিজাত শ্ৰেণীটোৰ পৰা। এওঁলোক শ্ৰেণী হিচাপে ব্ৰিটিছ নিৰ্ভৰশীল হোৱাৰ কাৰণে জাতীয় মুক্তি সংগ্ৰামত জনসাধাৰণৰ পৰা নিৰাপদ দূৰত আছিল।

তথাপিও এইটো স্বীকাৰ কৰিবই লাগিব যে — 'জোনাকী' গোষ্ঠীৰ নেতৃত্বত সংগঠিত সাহিত্যিক আন্দোলনে অসমীয়া জাতিলৈ ভালেখিনি মহৎ দান দি গ'ল, যাৰ কাৰণে তেওঁলোকে অসমীয়া জাতিৰ চিৰস্মৰণীয় হৈ ৰ'ব। জন জীৱনৰ পৰা বিচ্ছিন্ন হ'লেও, 'জোনাকী গোষ্ঠী'য়ে নতুন সাহিত্য সংস্কৃতিৰ যি ঢল অসমলৈ বোৱাই আনিছিল, তাৰ পলসতে ন-সৃষ্টিৰ প্ৰেৰণাৰে ন-ন-প্ৰতিভাৰ জন্ম হৈ আঞ্চলিক জাতীয় চেতনাৰ সীমা চেৰাই সৰ্বভাৰতীয় জাতীয় চেতনাৰ জন্ম দিছিল।

উনবিংশ শতিকাৰ শেষৰ দুটা দশকত জন্মলাভ কৰা 'জোনাকী' আৰু 'বিজুলী'য়ে আধুনিক অসমীয়া ভাষা-সংস্কৃতিৰ নিৰ্মান আৰু অসমীয়া জাতিৰ স্বতন্ত্ৰতা প্ৰতিষ্ঠাৰ কাৰণে চলোৱা একাগ্ৰ প্ৰচেষ্টাই অসমৰ সামাজিক, সাংস্কৃতিক জীৱনত যি আলোড়নৰ সৃষ্টি কৰিছিল, সিয়েই বিংশ শতিকাৰ আৰম্ভণিতে, অসমৰ নবীন প্ৰবীন মধ্যবিত্তক নতুন আলোচনী, সংবাদপত্ৰ প্ৰকাশ কৰি ভাষা সাহিত্যৰ বিকাশ সাধনৰ যোগে জাতীয় আত্ম প্ৰতিষ্ঠাৰ সংগ্ৰামত ব্ৰতী হ'বলৈ প্ৰেৰণা যোগাইছিল।

এনেদৰে নতুনকৈ প্ৰকাশিত হোৱা বেছি ভাগ কাকত, আলোচনীয়েই কোনো স্পষ্ট নীতি অনুসৰণ কৰা নাছিল। কিন্তু কিছুমান কাকতে স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ অৰ্থে অসমীয়া ভাষা সাহিত্যৰ উন্নতি সাধনকে লক্ষ হিচাপে লৈছিল। কিন্তু ভাষা সাহিত্যৰ উন্নতি কৰিবলৈ যাওঁতে চৰকাৰৰ যাতে অপ্ৰিয়ভাজন হ'ব নালাগে তাৰ প্ৰতি সচেতন আছিল। ৰাজনৈতিক সাহিত্যৰ চাৰিসীমাৰ পৰা বাহিৰত হোৱা 'জোনকী'ৰ নীতিকেই 'উষা'কে ধৰি বেছিভাগ কাকত, আলোচনীয়েই গ্ৰহণ কৰিছিল।

বিংশ শতিকাৰ দ্বিতীয় দশকত 'বাঁহী'ত প্ৰকাশিত কিছু প্ৰবন্ধৰ জৰিয়তে এই কথা প্ৰমানিত হয় যে চোভিয়েটৰ অক্টোবৰ বিপ্লৱ আৰু সমাজতন্ত্ৰই উদীয়মান অসমীয়া বুদ্ধিজীৱিৰ দৃষ্টি আকৰ্ষণ কৰিছিল। এই প্ৰবন্ধবোৰত লিখক-সকলৰ বিপ্লৱৰ প্ৰতি গভীৰ আস্থা প্ৰকাশ পাইছিল।

১৯১৯ চনত চন্দ্ৰনাথ শৰ্মা আৰু অম্বিকাগিৰী ৰায় চৌধুৰীৰ উদ্যোগত প্ৰকাশিত 'চেতনা'ই লেনিন, অক্টো'বৰ বিপ্লৱ আৰু চোভিয়েটৰ নতুন সমাজখনৰ লগত অসমীয়া পাঠকক পৰিচয় কৰাই দিছিল। পৰাধীনতাৰ গ্লানি আৰু জাতীয় আত্মমৰ্য্যাদাবোধে অম্বিকাগিৰীক ছোভিয়েটৰ নতুন সমাজখনৰ প্ৰতি আকৃষ্ট কৰিলেও, কমিউনিষ্ট আৰু সেই আদৰ্শৰ অনুগামী সকলৰ প্ৰতি সামান্যতমো আস্থা নাছিল। ছোভিয়েটৰ নিপীড়িত খাটিখোৱা মানুহক যি আদৰ্শই নতুন সমাজ গঢ়াত উদ্বুদ্ধ কৰিছিল সেই অগ্ৰগামী আদৰ্শৰ অনুগামী ভাৰতীয় কমিউনিষ্ট সকলক জাতিৰ শত্ৰু হিচাপে দেখুৱাবলৈ অম্বিকাগিৰীয়ে দ্বিধাবোধ কৰা নাছিল। প্ৰকৃততে 'চেতনা' আৰু অম্বিকাগিৰী উভয়েই অতি বেচি উগ্ৰ জাতিয়তাবাদী আছিল।

সাহিত্যসভা, আসাম এছোছিয়েশ্যন, জাতীয় কংগ্ৰেছ আদি সাংস্কৃতিক, ৰাজনৈতিক অনুষ্ঠানৰ লগত নিজকে জড়িত কৰি দেশৰ মংগল সাধনত ব্ৰতী বহুতো শিক্ষিত তৰুণে তাৰ মাজত থাকিয়েই, আলোচনী, সংবাদপত্ৰৰ যোগে এক সাংস্কৃতিক আন্দোলন গঢ়ি তুলি, বিংশ শতিকাৰ চতুৰ্থ দশকত অসমত এক নতুন যুগৰ সূচনা কৰিবলৈ প্ৰয়াস কৰিছিল। এই আন্দোলনত নেতৃত্ব দিছিল ১৯২৯ চনত ডাঃ দীননাথ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত 'আৱাহন' আলোচনীয়ে। 'আৱাহনে' স্বকীয় মতবাদৰ পোষকতা নকৰিলেও জাতীয়তাবাদী আদৰ্শ প্ৰচাৰত এই আলোচনীখনৰ বৰঙণি অসীম।

যি সময়ত অসম সাহিত্য সভাই ৰাজনীতিক সাহিত্যৰ চাৰিসীমাৰ বাহিৰত ৰাখি সভাৰ মুখপত্ৰ 'সাহিত্য সভা পত্ৰিকাত' অসমৰ প্ৰাচীন ঐতিহ্য, ইতিহাস আৰু ধৰ্ম সম্বন্ধীয় আৰু সাহিত্য সম্বন্ধীয় আলোচনাৰ বাহিৰে জাতীয় জীৱনৰ আন সমস্যাক ঠাই দিয়া নাছিল, সেই সময়ত 'আৱাহনে' জাতীয় সমস্যাক সাহিত্যৰ সমস্যা হিচাপে গ্ৰহণ কৰি এক ঐতিহাসিক দায়িত্ব পালন কৰিছিল। নতুন নতুন বহুতো তৰুণ লিখকৰ ছোভিয়েট সমাজতান্ত্ৰিক বিপ্লৱ আৰু সমাজতন্ত্ৰৰ ওপৰত লিখা প্ৰবন্ধ 'আৱাহন'ৰ পাতত প্ৰকাশ পাইছিল। এইদৰে 'আৱাহনে' শিক্ষিত তৰুণ এচামক নতুন সমাজ সৃষ্টিৰ কাৰণে মানসিকভাৱে প্ৰস্তুত কৰাত সামান্যভাৱে হ'লেও অৰিহণা যোগাইছিল।

কমল নাৰায়ণ দেৱ সম্পাদিত 'জয়ন্তী' য়ে (১৯৩৭-৪৯) সচেতনভাবেই অসমীয়া সাহিত্যত এক নতুন ধাৰাৰ প্ৰবৰ্তনৰ প্ৰচেষ্টা চলাইছিল এই নতুন ধাৰাটো গঢ়ি উঠিছিল, অগ্ৰগামী সমাজবীক্ষা মাৰ্ক্সীয় দৰ্শণৰ বস্তুবাদী চিন্তাধাৰাৰ আধাৰত। নতুন যুগচেতনাৰ দুৱাৰ মুকলি কৰাৰ দৃঢ় প্ৰত্যয় লৈ ভৱানন্দ দত্ত, অমূল্য বৰুৱা, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য, কমলনাৰায়ণ চৌধুৰী আদি সাহিত্যিক বুদ্ধিজীৱিয়ে 'জয়ন্তী'ত ভুমুকি মাৰে।

১৯১৭ চনত অসমৰ বুদ্ধিজীৱিসকল, যিসকল 'আসাম এছোছিয়েছন'ৰ সদস্য আছিল, তেওঁলোকৰ উদ্যোগতে 'অসম সাহিত্য সভা' গঢ় লৈ উঠে। সভাৰ কৰ্ম কৰ্তাসকলৰ সৰহ ভাগেই আছিল প্ৰশাসনীয় ব্যৱস্থাৰ অংশীদাৰ-চৰকাৰী বিষয়া, সাহিত্যিক পেঞ্চন ভোগ কৰোঁতা, আইন সভা, পৌৰ সভাৰ সদস্য, মৌজাদাৰ, ব্যৱসায়ী, চাহ বাগিচাৰ মালিক আদি। সেয়েহে 'অসম সাহিত্য সভা'ৰ ব্ৰিটিছ প্ৰশাসনৰ তলতে থাকি সাহিত্য-সংস্কৃতিৰ উন্নতি বিচৰাৰ বাহিৰে আন উপায় নাছিল। উল্লেখযোগ্য যে সভাৰ পৃষ্ঠপোষকসকলৰ ভিতৰত সেই সময়ৰ অসমৰ সম্পদশালী গোষ্ঠী কেইটাৰ বাহিৰেও ব্ৰিটিছ বিষয়াও আছিল।

অসম সাহিত্য সভাৰ জন্মৰ পৰা ১৯৪৭ চনলৈকে এইছোৱা কালৰ ইতিহাস বিচাৰ কৰি চালে দেখা যায় যে জাতীয় মুক্তি সংগ্ৰাম যেতিয়া ছাত্ৰ-যুৱক-কৃষকে আগবঢ়াই নিছিল আৰু নেতৃত্ব দিছিল, তেতিয়া এচাম মধ্যবিত্ত বুদ্ধিজীৱিৰ নেতৃত্বত অসম সাহিত্য সভাই জনসাধাৰণৰ পৰা এক নিৰাপদ দূৰত্বত থাকি ব্ৰিটিছ শাসনৰ তলতেই অসমৰ কল্যাণ বিচাৰিছিল।

সাহিত্য সভাৰ প্ৰথম অধিবেশনৰ সভাপতি পদ্মনাথে ভাষণ প্ৰসংগত কৈছিল—

"...ব্ৰিটিছৰাজে দয়া কৰি অসমীয়া সাহিত্যক সজীৱ আৰু সতেজ কৰি ৰাখিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিল। গৱৰ্ণমেণ্টে দয়া কৰি বিবিধ ব্যৱস্থাৰে সৈতে ইয়াৰ উন্নতি বিধান কৰাৰ উপৰি ইয়াক ৰাজ ভাষা (ক'ৰ্ট লেংগুৱেজ) কৰি ইয়াৰ শ্ৰীবৃদ্ধিলৈ বাট সুগম কৰি দিলে। কিন্তু এনেতে এদল স্বাৰ্থপৰ অসম প্ৰৱাসী বঙালীয়ে অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ আগত ভেটা মাৰিলে।"

ভাষা-সাহিত্যৰ স্বাৰ্থতকৈ নিজ শ্ৰেণী স্বাৰ্থৰ কাৰণেই সভাপতিৰ আসনৰ পৰা পদ্মনাথে ব্ৰিটিছৰ নিজৰ প্ৰয়োজনত সৃষ্ট নতুন মধ্যবিত্ত সামন্ত প্ৰভু, ৰাজবিষয়া, আদি সম্পদশালী শ্ৰেণীটোক অসমৰ গৌৰৱ আখ্যা দিছিল।

১৯১৭ চনৰ পৰা ১৯৪৭ চনলৈকে সভাৰ মুঠ বিশখন অধিবেশন অনুষ্ঠিত হয়। এই বিশ্‌ বছৰত যি ১৯ গৰাকী ব্যক্তিয়ে সভাপতি হিচাপে সভাৰ নেতৃত্ব দিছিল তেওঁলোকৰ ভিতৰত ৰঘুনাথ চৌধাৰী, কমলাকান্ত ভট্টাচাৰ্য্য, মফিজুল ইচলাম বৰা প্ৰমুখ্যে কেইজনমানৰ বাহিৰে বাকীসকলৰ আৰ্থিক জীৱন ব্ৰিটিছ পুঁজিৰ লগত সাঙোৰ খাই আছিল।

সভাৰ গোৱালপাৰাত বহা দ্বিতীয় অধিবেশনত সভাপতি চন্দ্ৰধৰ বৰুৱাই ব্ৰিটিছৰ অনুগ্ৰহ বিচাৰি, সাহিত্য সভাৰ মঞ্চৰ পৰা কৈছিল—

"...আজি চাৰি বছৰৰ অশেষ অশান্তি আৰু দুৰবস্থাৰ অন্তত আজি তুনাই পৃথিৱীত শান্তি ৰাজ্য স্থাপনৰ উপক্ৰম হৈছে। পৃথিৱীত

যেন সোনকালে আকৌ শান্তিয়ে নির্বিবাদে বিৰাজ কৰে আৰু সেই শান্তিকে অনন্ত কালৰ কাৰণে ৰক্ষা কৰিবলৈ জগদীশ্বৰ ব্ৰিটিছ সাম্ৰাজ্যক যোত্ৰ-বাণ কৰে—এই সাহিত্য সভাৰ সকলো সভ্যৰে এয়ে নিশ্চয় একান্ত বাঞ্ছা ; কাৰণ সাহিত্যই গা কৰিবলৈ হ'লে শান্তিৰ শীতল ছাঁৰ নিতান্ত প্ৰয়োজন।"

ব্ৰিটিছ পুঁজিৰ সহযোগী জমিদাৰসকলক অসমৰ সাংস্কৃতিক আন্দোলনত আগভাগ ল'বৰ কাৰণে চন্দ্ৰধৰ বৰুৱাইও আহ্বান জনাইছিল। মধ্যযুগত ৰজাৰ ছত্ৰছাঁয়াৰ তলত কাব্য ৰচনা কৰাৰ দৰে, সাহিত্য সভায়ো ব্ৰিটিছৰাজ, জমিদাৰ আৰু প্ৰাচীন অভিজাত শ্ৰেণীটোৰ পৃষ্ঠ-পোষকতা লাভৰ প্ৰতি সচেতন আছিল, তেওঁলোকৰ পৃষ্ঠপোষকতাতে সাহিত্যৰ শ্ৰীবৃদ্ধি কামনা কৰিছিল।

ব্ৰিটিছ আৰু তেওঁলোকৰ একান্ত সহযোগী গোৱালপাৰাৰ জমিদাৰ, ভূ-স্বামী, সুদখোৰ মহাজন, আদিৰ স্বাৰ্থতে পূৰ্ববংগৰ পৰা অসমলৈ অবাধ প্ৰব্ৰজন ঘটিছিল। সাহিত্য সভাৰ সৈতে জড়িত বুদ্ধিজীৱিয়ে, ব্ৰিটিছে যে ৰাজহৰ কাৰণেই প্ৰব্ৰজনত বাধা দিয়া নাছিল বৰং উৎসাহহে দিছিল সেইটো বুজি পাইও ইয়াৰ বিৰুদ্ধে এষাৰো মাত মতা নাছিল আৰু তেওঁলোকে অসমীয়া মানুহকহে অকৰ্মণ্য বুলি দোষী সাব্যস্ত কৰিছিল। সভাৰ বক্তব্যত এফালে প্ৰব্ৰজনে অসমীয়া ভাষা কৃষ্টি বিপন্ন কৰাৰ আশংকা আৰু আনফালে প্ৰব্ৰজনক উৎসাহ যোগাওতা ব্ৰিটিছৰ প্ৰতি গভীৰ আনুগত্য প্ৰকাশ, মধ্যবিত্ত বুদ্ধিজীৱি শ্ৰেণীৰ এই অসংগতি আৰু স্ববিৰোধৰ মূলতে আছিল, তেওঁলোকৰ সামাজিক শ্ৰেণী অৱস্থান আৰু স্বাৰ্থ। ইয়াৰ পিছত সভাই সভাই প্ৰব্ৰজনকাৰী পমুৱাসকলক অসমীয়া কৰাৰ নীতি গ্ৰহণকৰা দেখা গৈছিল।

বৃহৎ অসমীয়া জাতি গঠন কৰিবলৈ গৈ সাহিত্য সভাই বিভিন্ন থলুৱা জনগোষ্ঠীক অস-মীয়া কৰা'ৰ ওপৰত গুৰুত্ব দিছিল। সভাই অসমৰ বিভিন্ন অঞ্চলত অসমীয়া ভাষা প্ৰচাৰ আৰু বিভিন্ন জনগোষ্ঠীক অসমীয়া কৰাৰ ওপৰত যিমান গুৰুত্ব দিছিল সেইদৰে তেওঁলোকৰ বিকাশ আৰু অগ্ৰগতি সম্পৰ্কে মনোযোগ দিয়া নাছিল। মধ্যবিত্ত অসমীয়া বুদ্ধিজীৱিৰ এই উদাসীনতাৰ ফলস্বৰূপে পিছ পৰা জনগোষ্ঠীৰ মাজত সৃষ্টি হোৱা শিক্ষিত শ্ৰেণীৰ মাজত গোষ্ঠীচেতনা জাগি উঠিছিল আৰু নিজ ভাষা-সংস্কৃতিৰ বিকা-শৰ কাৰণে তৎপৰ হৈ উঠিছিল। অসমীয়া বুদ্ধিজীৱিৰ এই হঠকাৰিতাৰ ফলতে থলুৱা জন-গোষ্ঠীৰ যুৱকৰ মনত অসমীয়াৰ পৰা লাহে লাহে আতৰি যোৱাৰ মনোভাৱে মূৰ দাঙি উঠিছিল।

আধুনিক শিক্ষাৰে শিক্ষিত অসমীয়া বুদ্ধি-জীৱিসকলে আধুনিক সাহিত্য সংস্কৃতিৰ সৃষ্টি কৰি অসমত নতুন চেতনাৰ জন্ম দিয়াৰ প্ৰয়াস কৰিছিল। কিন্তু এওঁলোকৰ কোনো সামাজিক ভিত্তি নথকা বাবে সামাজিক দায়িত্বও নাছিল। কোনো সামাজিক দায়বদ্ধতা নথকাৰ কাৰণেই তেওঁলোক আছিল জনসাধাৰণৰ পৰা এক নিৰাপদ দূৰত্বত। জাতি গঠন, ভাষা-সংস্কৃতিৰ বিকাশ সাধন, বিভিন্ন জনগোষ্ঠীৰ মাজত সংহতি স্থাপন আদিৰ আহ্বান জনালেও এওঁলোকে জাতিৰ সৰ্বাংগীন বিকাশৰ মূল অন্তৰায় ব্ৰিটিছ শাসনক ভগৱানৰ আশীৰ্বাদ হিচাপে মানি লৈছিল।

লক্ষ্মীনাথ বেজবৰুৱাই শিক্ষাৰ ক্ষেত্ৰত অসম পিছ পৰি থকাৰ কাৰণে আক্ষেপ কৰিছিল যদিও, ইয়াৰ বাবে চৰকাৰক জগৰীয়া কৰিব খোজা নাছিল বা সভাৰ মঞ্চৰপৰা সেই দাবী চৰকাৰৰ ওচৰত তুলি ধৰিবলৈ ইচ্ছাও প্ৰকাশ কৰা নাছিল। সাহিত্য সভাৰ ছত্ৰছায়াত থাকি যেতিয়া অসমীয়া বুদ্ধিজীৱি সকলে উপনিবেশিক শাসন শোষণৰ বিৰুদ্ধে থিয় দিয়াৰ মৌলিক

দায়িত্বক আওকাণ কৰি, ব্ৰিটিছ অধীনতাক স্বীকাৰ কৰি লৈ. ভাষা-সাহিত্যৰ বিকাশ সাধনৰ যোগেৰে জাতীয় চেতনা যোগাই তোলাত মন দিছিল, তাৰ প্ৰায় তিনি কুৰি বছৰ আগৰে পৰাই ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰা অসমৰ বিভিন্ন অঞ্চলত কৃষক প্ৰজাই ব্ৰিটিছ শাসন শোষণৰ বিৰুদ্ধে সংগ্ৰাম কৰি আহিছিল। প্ৰকৃত অৰ্থত কৃষক প্ৰজাৰ এই সংগ্ৰামী ঐতিহ্যই আছিল জাতীয়তাবাদৰ ভিত্তি ভূমি, কাৰণ পৰাধীন জাতিৰ জাতীয়তাবাদৰ ভিত্তি ভূমি হ'ল জাতীয় মুক্তি সংগ্ৰাম।

অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা অমূল্য অৱদান স্বীকাৰ কৰি লৈও ইতিহাসে এই কথা স্বীকাৰ কৰিব যে অসম সাহিত্য সভা আৰু অসমীয়া বুদ্ধিজীৱি উভয়েই জাতীয় মুক্তি সংগ্ৰামৰ পৰা সচেতনভাৱে নিজকে দূৰত ৰাখিছিল। শ্ৰেণী হিচাপে যিহেতু সাহিত্য সভাৰ নেতৃত্বত থকা বুদ্ধিজীৱিসকল আছিল ব্ৰিটিছৰ একান্ত সহযোগী, গতিকে তেওঁলোকৰ সৃষ্টিত তীব্ৰ স্বাধীনতাৰ প্ৰেৰণা থাকিলেও, স্বাধীনতা সংগ্ৰামত জনসাধাৰণৰ লগত সহযোগ কৰাটো সম্ভৱ নাছিল। সেয়েহে সভাৰ ভাষিক-সাংস্কৃতিক আন্দোলনে জন্ম দিয়া জাতীয় চেতনাই কৃষিজীৱি ৰাইজৰ চেতনাৰ গভীৰত প্ৰৱেশ কৰিব পৰা নাছিল বুলি অনুমান কৰিব পাৰি। সেয়েহে এক অগ্ৰগামী সমাজৰ ভিত্তি গঢ়ি তোলাৰ ক্ষেত্ৰত সাহিত্য সভাৰ ভূমিকা আছিল নেতিবাচক। এই কথা স্বীকাৰ কৰি লৈও আমি ক'ব লাগিব যে সাহিত্য-সংস্কৃতি সাধনাৰ প্ৰতিকূল পৰিৱেশৰ মাজতো সভাই পুৰণি সাহিত্য উদ্ধাৰ কৰি যিখিনি সাংস্কৃতিক সম্পদ দিলে সেইখিনি অসমীয়া জাতিৰ অমূল্য সম্পদ। তাৰোপৰি অসমীয়া ভাষা-সংস্কৃতিৰ বিকাশ সাধন আৰু প্ৰচাৰৰ ক্ষেত্ৰত সাহিত্য সভাৰ ভূমিকা অৱশ্যেই স্বীকাৰ্য্য।

ব্ৰিটিছৰ অনুগামী হ'লেও আৰু আৰ্থিক ৰাজনৈতিক স্বতন্ত্ৰতা লাভ কৰিব নোৱাৰিলেও অসমীয়া বুদ্ধিজীৱিৰ গতিশীলতা আৰু অফুৰন্ত প্ৰাণশক্তিৰ বলতেই আধুনিক সভ্যতা-সংস্কৃতিৰ সোঁত অসমলৈ প্ৰবাহিত হৈছিল। সেয়ে হ'লেও পুৰণি সমাজ গাথনিৰ মূলোচ্ছেদ নোহোৱাৰ কাৰণে আধুনিক সাহিত্য-সংস্কৃতিৰ লগতে সনাতন মূল্যবোধ ধ্যান-ধাৰণাৰ সোঁত এটাও থাকি গ'ল। পুৰণি সমাজখনৰ আমূল পৰিবৰ্তন সাধিত নোহোৱাৰ ফলত নতুন মধ্যবিত্ত শ্ৰেণীটোৰ চৰিত্ৰও আছিল মূলতঃ অৰ্দ্ধসামন্তীয় আৰু তেওঁলোকৰ মাজৰ পৰা ওলোৱা বুদ্ধিজীৱিসকলৰ সৃষ্ট আধুনিক অসমীয়া সাহিত্য-সংস্কৃতিও পুৰণি মূল্যবোধ আৰু ধ্যান-ধাৰণাৰ পৰা মুক্ত হ'ব পৰা নাছিল।

আৰ্থিক আৰু সাংস্কৃতিক দুৰ্বলতাৰ কাৰণে বিশেষকৈ মধ্যবিত্তৰ আৰ্থিক জীৱন ব্ৰিটিছৰ অৰ্থনৈতিক আৰু প্ৰশাসনিক ব্যৱস্থাৰ সৈতে সাঙোৰ খাই থকাৰ কাৰণে তেওঁলোকৰ মাজত নিৰংকুশ ব্ৰিটিছ বিৰোধিতা লক্ষ্য কৰা নগৈছিল।

ব্ৰিটিছৰ আমোলত অসমীয়া বুদ্ধিজীৱিয়ে যি ভূমিকা লৈছিল, তেনে ভূমিকা ল'বলৈ তেওঁলোক ঐতিহাসিকভাৱে বাধ্য হৈছিল। যিহেতু একোখন সমাজত নিৰ্দিষ্ট একোটা অৰ্থনৈতিক গাঁঠনিৰ মাজতহে বিশেষ কিছুমান ধ্যান-ধাৰণাৰ, চিন্তা-চেতনাৰ উদয় হ'ব পাৰে, সেয়েহে অসমীয়া বুদ্ধিজীৱিসকলৰ সামাজিক, অৰ্থনৈতিক অৱস্থান আৰু উদ্ভৱে তেওঁলোকৰ ধ্যান-ধাৰণাক নিয়ন্ত্ৰিত কৰিছিল।

তৎকালীন ঐতিহাসিক অৱস্থাৰ সীমাবদ্ধতা আৰু মধ্যবিত্তৰ শ্ৰেণীগত সীমাৱদ্ধতাক অতিক্ৰম নকৰাকৈও অসমীয়া বুদ্ধিজীৱি শ্ৰেণীয়ে অসমীয়া সমাজৰ সৰ্বাংগীন বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অসমৰ সামাজিক-সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনত তেওঁলোকৰ ভালেখিনি মহৎ অৱদান আছে। ❁

* * * * * *

**সহায় লোৱা গ্ৰন্থ আৰু প্ৰবন্ধ—**

১। অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস— ড° প্ৰফুল্ল মহন্ত।
২। অসমীয়া বুদ্ধিজীৱি ঃ জোনাকী যুগ— বিজনলাল চৌধুৰী।
৩। জোনাকী যুগৰ অসমীয়া বুদ্ধিজীৱি— গোবিন্দ প্ৰসাদ শৰ্মা।

# পৰিৱেশ আৰু আমি

❀ সুশীল পাটোৱাৰী
স্নাতক ৩য় বৰ্ষ ( বিজ্ঞান )

Almost every step in man's quest for improved living standards has ended in direct exploitation of the environment. This utter disregard to ecology has played havoc ; present luxury has been purchased by borrowing from the future. The irony remains that human progress all through history and well up to the present day. has been concomitant with environment degredation.'

THE ASIAN AGE
By-H.S. SANDHU

জীৱ জগতৰ চাৰিওকাষৰ আকাশ, বতাহ, মাটি, পানী, তাপ, পোহৰ তথা সকলো নিৰ্জীৱ সজীৱ বস্তুকৈলৈ পৰিৱেশ। জীৱ জগতৰ প্ৰত্যেকটো জীৱই এক শৃংখলত পৰস্পৰ নিৰ্ভৰশীল হৈ পৰিৱেশ তন্ত্ৰৰ জীয়াই আছে। পৰিৱেশ তন্ত্ৰৰ যি কোনো বস্তুৰ হ্ৰাস বৃদ্ধিৰ ফলস্বৰূপে ইয়াৰ প্ৰতিটো উপাদানৰ ওপৰতেই প্ৰত্যক্ষ কিম্বা পৰোক্ষ ভাৱে ক্ৰিয়া কৰে। এটা সৰু উদাহৰণৰ জৰিয়তে এই কথাৰ গূঢ়াৰ্থ বুজাব পাৰি। বৰ্ত্তমান অসমত হাতীৰ সংখ্যা তুলনামূলক ভাৱে বৃদ্ধি পাইছে। গতিকে হাতীবোৰৰ আগৰ তুলনাত থকা ঠাই তথা খাদ্যৰ নাটনি হৈছে। এই নাটনি পূৰ কৰাৰ উদ্দেশ্য সিহঁতে ভৈয়ামলৈ নামি আহে। লগতে মানুহৰ খাদ্যশষ্যৰ অনিষ্ট আৰু ঘৰ দুৱাৰৰ ওপৰত দুই ধৰণৰ প্ৰভাৱ পেলায়। এটা খাদ্যৰ ক্ষেত্ৰত অন্যটো ঘৰ দুৱাৰৰ ক্ষেত্ৰত। খাদ্যৰ নাটনি পূৰ কৰিবলৈ অন্য জীৱ জন্তুক কৰা ভক্ষনৰ পৰিমান মানুহে বৃদ্ধি কৰিব। ফলত অন্য জীৱ জন্তু ( বিশেষকৈ মাছ, হাঁহ, কুকুৰা, আদি ) প্ৰকৃতিত কিছু পৰিমাণে হ'লেও হ্ৰাস পাব। সেইদৰে গৃহ নিৰ্মানৰ বাবে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব, ফলত গছ-গছনিৰ পৰিমানও নিম্নতম ভাৱে হ'লেও কমিব। আকৌ গছ-গছনি জীৱ-জন্তুৰ হ্ৰাস বৃদ্ধিৰ ফলত অন্য কিছু আনুসাংগিক বস্তুৰ হ্ৰাস নাইবা বৃদ্ধি ঘটিব। ফলত গোটেই পৰিৱেশ তন্ত্ৰটো ইয়াৰ মাজত সোমাই পৰিব। অৰ্থাৎ পৰিৱেশতন্ত্ৰৰ কিবা এটা উপাদানৰ পৰিবৰ্ত্তনৰ লগে লগে গোটেই পৰিৱেশতন্ত্ৰটোৰে কিছু হ'লেও সাল সলনি ঘটে।

ভৌগলিক অৱস্থান সাপেক্ষে ভিন্ন ঠাইৰ পৰিৱেশ ভিন্ন। পৰিৱেশ ঠাই অনুসৰি গঢ়

লৈ উঠে। পৰিৱেশৰ উপাদানক প্ৰধানত ঃ দুটা ভাগত ভগাব পাৰি। সজীৱ আৰু নিৰ্জীৱ উপাদান। সজীৱ উপাদানৰ ভিতৰত উদ্ভিদ, প্ৰাণী, আৰু জীৱাণুক ধৰা হয়। নিৰ্জীৱ উপাদানত পানী; বায়ু; মাটি; পোহৰ; তাপ আৰু ৰাসায়নিক যৌগ আদিক ধৰা হয়। নিৰ্জীৱ উপাদানৰ প্ৰতিটো উপাদানেই সজীৱ উপাদানৰ জীৱন নিৰ্বাহৰ বাবে অবিচ্ছেদ্য অংগ।

সমস্ত পৰিৱেশ তন্ত্ৰটোৰ ওপৰতেই বিশেষ প্ৰভাৱ পেলোৱা প্ৰাণীবিধেই হ'ল মানুহ। বৰ্তমান বিশ্বৰ জনবিস্ফোৰণে পৰিবেশৰ প্ৰত্যক্ষ তথা পৰোক্ষ ভাৱে অৱনতি ঘটাইছে। জন বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা সমস্যাৰ বিষয়ে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ প'ল এৰলিকে তেখেতৰ Population Bomb' নামৰ গ্ৰন্থত কৈছে যে অদূৰ ভৱিষ্যতে বিশ্বৰ লাখ লাখ লোক দুৰ্ভিক্ষৰ ফলত মৃত্যু হ'ব। সমস্যাৰ সমাধান সূত্ৰ হিচাপে জন্ম মৃত্যুৰ হাৰ সমান হোৱাৰ ওপৰত তেখেতে গুৰুত্ব আৰোপ কৰিছে; কিন্তু চিকিৎসা বিজ্ঞানৰ ক্ৰমবৰ্দ্ধমান উন্নতিলৈ লক্ষ্য ৰাখি এই সমাধান সূত্ৰ কিমানদূৰ সম্ভৱ হয় ক'ব নোৱাৰি। মূলতঃ সকলো সমস্যাৰ প্ৰধান কাৰণ জন বিস্ফোৰণ। জন বিস্ফোৰণৰ লগে লগে খাদ্য; বাসস্থানৰ সমস্যাও আহি পৰিছে। ভাৰতবৰ্ষত ১৯৯১ চনত জন বসতিৰ ঘনত্ব আছিল প্ৰতি কিলোমিটাৰত ২৭৪ জন। অন্যহাতে মাৰ্কিন যুক্তৰাষ্ট্ৰত প্ৰতি কিলোমিটাৰত মাত্ৰ ৩০ জন। উক্ত হিচাপৰ পৰা ক'ব পাৰি যে ভাৰতবৰ্ষত জন সংখ্যা বৃদ্ধিৰ হাৰ অতি বেছি, যাৰ বাবে অনাহাৰত মৃত্যু ঘটা, বাস গৃহৰ অভাৱত 'ফুটপাথ'ত আশ্ৰয় গ্ৰহণ কৰাটো ভাৰতবাসীৰ বাবে সক ঘটনা! অন্যহাতে ভাৰতৰ দৰে দেশবোৰলৈ লক্ষ্য ৰাখি মাৰ্কিন যুক্তৰাষ্ট্ৰতো যে জন বিস্ফোৰণ নঘটিব তাক দৃঢ়াই ক'ব নোৱাৰি। এই বাবে যে যদি মাৰ্কিন যুক্ত ৰাষ্ট্ৰই কঠোৰ আইন প্ৰণয়ন কৰি হ'লেও জন্ম নিয়ন্ত্ৰণ ৰোধ কৰে, তথাপিও ভাৰত সদৃশ দেশবোৰৰ পৰা হোৱা প্ৰব্ৰজন ৰোধ কৰাটো যুক্ত ৰাষ্ট্ৰৰ বাবে কঠিন হৈ পৰিব যিদৰে বাংলাদেশৰ পৰা হোৱা প্ৰব্ৰজন ৰোধ কৰাত ভাৰত চৰকাৰ বিফল হৈ পৰিছে। ১৯৯১ চনৰ ৮৫ কোটি ভাৰতীয়ৰ বিপৰীতে ২০২১ চনত এই জন সংখ্যা ১50 কোটি লৈ বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। বৰ্ত্তমানৰ উদ্ভিদৰ ধ্বংস যজ্ঞ, নানা ধৰণৰ প্ৰদূষণৰ বিপৰীতে ভাৰতবৰ্ষৰ ২০২১ চনত ১৫০ কোটি ভাৰতীয় কি ভাৱে জীয়াই থাকিব সেয়া এক চিন্তনীয় বিষয়। বৰ্ত্তমান আমাৰ দেশে বিভিন্ন ৰাসায়নিক সাৰ প্ৰয়োগ কৰি হ'লেও খাদ্য শস্যৰ উৎপাদন বৃদ্ধি কৰি কৰাল দুৰ্ভিক্ষৰ পৰা হাত সাৰি আছে। কিন্তু গাৰে-ভূঞে যিটো হাৰত ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰ কৰি প্ৰচুৰ শস্য উৎপাদন কৰা হৈছে তাৰ পৰা ক'ব পাৰি যে অদূৰ ভৱিষ্যতে খেতি মাটিৰ উৰ্বৰতা শক্তি লোপ হৈ দেশখনৰ পানীত হাঁহ নচৰা অৱস্থা এটা আহি পৰিব। আনহাতে বৰ্ত্তমান অবাধ গছ নিধনৰ ফলত মাটিৰ ধাৰণ ক্ষমতা নোহোৱা হৈ পৰিছে, লগতে গছৰ গুটিৰ পৰা গছ গজা জৈৱ প্ৰক্ৰিয়াটো, বন্ধ হোৱাৰ উপক্ৰম ঘটিছে। গছ-গছনিৰ অভাৱনীয় হ্ৰাসৰ ফলত প্ৰকৃতিত প্ৰদূষণৰ পৰিমান বৃদ্ধি পাইছে! বিশেষকৈ

বায়ু প্ৰদূষণৰ পৰিমান বৃদ্ধি পাইছে। বিশেষকৈ বায়ু প্ৰদূষণ আৰু ইয়াৰ ফলত বায়ু মণ্ডলৰ ওপৰৰ পৃষ্ঠত থকা ওজন স্তৰত ( যিয়ে মহাকাশৰ পৰা অহা পৃথিৱী বাসীৰ বাবে শক্তিশালী ক্ষতি কাৰক বিভিন্ন ৰশ্মি আমাৰ বায়ু মণ্ডলত প্ৰবেশ কৰাত বাধা দিয়ে। ) বিদ্ধাৰ সৃষ্টি কৰিছে। প্ৰদূষণৰ এই বৃদ্ধিয়ে এটা সময়ত ওজন স্তৰৰ ক্ষমতা লোপ পেলাই পেলাব। ইয়াৰ ফলত হ'ব পৰা প্ৰতিক্ৰিয়া বুজাই নকলেও চলিব।

পৰিৱেশ প্ৰদূষণক চাৰি ভাগত ভগাব পাৰি। (ক) পানীৰ প্ৰদূষণ, (খ) বায়ু প্ৰদূষণ (গ) মাটিৰ প্ৰদূষণ; আৰু (ঘ) শব্দ প্ৰদূষণ। এই প্ৰদূষণৰ ফল স্বৰূপে জীৱদেহত কৰ্কট ৰোগ, চৰ্ম ৰোগ, চকুৰ দৃষ্টিহীনতা; শ্বাস কষ্ট, মানসিক অৱসাদ আদি বিভিন্ন ৰোগে জুমুৰি ধৰিছে। সেইদৰে উদ্ভিদৰ ফুল ফুলাৰ 'ফট' পিৰিয়ডিজিম' ( Photo periodism) প্ৰক্ৰিয়াও প্ৰদূষণৰ বাবে বাধা প্ৰাপ্ত হয়। ওপৰত উল্লেখিত প্ৰদূষণ কেইবিধৰ ভিতৰত গোটেই বিশ্ব বাসীক এক সংকটপূৰ্ণ অৱস্থালৈ লৈ গৈছে বায়ু প্ৰদূষণে। সেয়ে বিশ্ববাসী সতৰ্ক হ'ব লগা হৈছে বায়ু প্ৰদূষণৰ প্ৰতিৰোধৰ বিষয়ত। ইয়াৰ আগতে আমি পৰ্য্যালোচনা কৰিব লাগিব বায়ু প্ৰদূষণৰ কাৰক সমূহৰ বিষয়ে।

প্ৰাণী জগতৰ ওপৰত গুৰুতৰভাৱে ক্ৰিয়া কৰা যোগবোৰ হল চালফাৰ-ডাই-অক্সাইড ($SO_2$); নাইট্ৰজেন-ডাই-অক্সাইড ($NO_2$); কাৰ্বন-ডাই-অক্সাইড ($CO_2$; কাৰ্বন মনোক্সাইড (CO) হাইড্ৰজেন চালফাইড ($H_2S$); হাইড্ৰজেন ফ্লুৰাইড (HF); এম'নিয়া ($NH_3$); বিভিন্ন হাইড্ৰকাৰ্বন আৰু কিছুমান হাইড্ৰকাৰ্বন লেড (pb) মাৰ্কাৰি (Hg) আদি। অন্যহাতে উদ্ভিদৰ বাবে ক্ষতিকাৰক যোগবোৰ হল $So_2$, $No_2$, ধোঁৱা, ধূলিকনা আদি।

প্ৰকৃতিত অনবৰতে পেট্ৰ'লিয়াম জ্বলাই থকাৰ ফলত Co; $No_2$; $So_2$; হাইড্ৰকাৰ্বন তথা ধোঁৱা আদিৰ সৃষ্টি হয়। ইহঁত প্ৰত্যেকে একোটা পৰিৱেশ প্ৰদূষিত পদাৰ্থ। মুকলি পথাৰত গেছ জ্বলনৰ ফলত দিনৰ ভাগত সূৰ্য্যৰ পোহৰত বিকিৰিত অতি বেঙুণীয়া ৰশ্মিৰ প্ৰভাৱত আলোক ৰাসায়নিক বিক্ৰিয়া (photochemical reaction) উদ্ভৱ হয়। উক্ত বিক্ৰিয়াত উদ্ভুত পদাৰ্থই অত্যাধিক পৰিৱেশ প্ৰদূষণ কৰে। এই ধৰণৰ প্ৰক্ৰিয়া এবাৰ আৰম্ভ হলে বিৰামহীন গতিত ই চলি থাকে। আলোক ৰাসায়নিক বিক্ৰিয়াৰ ফলত এবিধ অতি বেছি বিষাক্ত পদাৰ্থ পেৰিক্সি এছিটেল উৎপন্ন হয়। ই গছৰ পাত গঠন কৰা মেছ' ফিল কলাৰ অপকাৰ সাধে। বিশেষত শ্বসন কাৰ্য্য আৰু খাদ্যৰ মাধ্যমেৰে প্ৰাণীৰ দেহত প্ৰদূষক পদাৰ্থবোৰে ক্ৰিয়া কৰে। শ্বসন কাৰ্য্যৰ দ্বাৰা $So_2$ এ শ্বাসনলীৰ ছিদ্ৰ পথ সৰু কৰি হাঁপানি, শ্বাস কষ্ট আদি ৰোগৰ সৃষ্টি কৰে। সেইদৰে $No_2$ আৰু $O_3$ প্ৰাণবায়ুৰ শোষণ কাৰ্য্যই ক্ষমতা কমাই দিয়ে। কাৰ্বন মনোক্সাইডে (Co) তেজৰ হিমগ্ল'বিন অনুৰ লৈতে জড়িত হৈ কাৰ্বোক্সি হিমোগ্লোবিন (CoHb) উৎপন্ন কৰে। ফলত তেজৰ অক্সিজেন বহন ক্ষমতা হ্ৰাস পায়। ইয়াৰ ফলস্বৰূপে আমাৰ দেহৰ ক্লান্তি, মুৰৰ বিষ, আদি বৃদ্ধি পায়। খাদ্যৰ মাধ্যমেৰে ফ্লোৰাইড দেহত প্ৰবেশ কৰি দাঁতত জমা হয়। ইয়ে দাঁতৰ ক্ষয় সাধন কৰে। সেইদৰে বিভিন্ন ধাতু, সীহ, পাৰা;

'আৰ্চেনিক; নিকেল আদিয়ে মানসিক অৱসাদ, অসময়ত গৰ্ভপাত, কৰ্কট, আদি ৰোগ সৃষ্টি কৰে। সেইদৰে সাগৰ-মহাসাগৰত হোৱা তৈল প্ৰদূষণৰ ফলত 'ফাইট' প্লেংকটন' উদ্ভিদ (যিয়ে বায়ুমণ্ডলৰ ৭০% অক্সিজেন যোগান ধৰে) কমি আহিছে। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে বায়ুমণ্ডলত অক্সিজেনৰ বিপৰীতে কাৰ্বন-ডাই-অক্সাইডৰ মাত্ৰা বৃদ্ধি পাইছে।

শব্দ প্ৰদূষণৰ ফলতও পৰিৱেশৰ যথেষ্ঠ অৱনতি ঘটিছে। বৰ্ত্তমান প্ৰবল ভাৱে বৃদ্ধি পাই অহা গাড়ী মটৰ কিম্বা অন্যান্য যান্ত্ৰিক বস্তুবোৰৰ পৰা অধিক মাত্ৰাত শব্দ প্ৰদূষণৰ সৃষ্টি হৈছে। ১১০—১২০ ডেছিবেল্স শব্দৰ প্ৰভাৱত গৰ্ভৱতী মাতৃৰ গৰ্ভস্থ সন্তানৰ বিকাশ তথা দৃষ্টি শক্তি কমাই পেলাব পাৰে। এই প্ৰদূষণে মানুহৰ শ্ৰৱন শক্তি লোপ পেলাব পাৰে। জেট প্লেনৰ বিকট শব্দই মানুহৰ মৃত্যু পৰ্য্যন্ত ঘটাব পাৰে। শব্দ প্ৰদূষণৰ ফলত এনেকি চৰায়ে কণী পাৰিবলৈও এৰি দিয়ে। কোলাহল পূৰ্ণ ঠাইত পৰিভ্ৰমী চৰাইৰ সংখ্যা ক্ৰমাগত কমি যায়। উক্ত প্ৰদূষণৰ বাবে মানুহৰ পেটত আলচাৰৰ সৃষ্টি কৰিব পাৰে। গৰ্ভৱতী নাৰীৰ গৰ্ভপাত পৰ্য্যন্ত শব্দ প্ৰদূষণে ঘটায়।

তেল খননত ওলোৱা বোকাত অভ্ৰ মিশ্ৰিত কৰাল্ট, বেণ্ট নাইট, ক্লে, গ্ৰিজ, ডিজেল, মাৰ্বল আদি পদাৰ্থ মিহলি হৈ থাকে। বৰষুণ বা অন্য কাৰকৰ দ্বাৰা এইবোৰ পদাৰ্থ খেতি মাটিৰ লগত মিহলি হলে মাটিত জৈৱিক কাৰ্বনৰ (organic corbon) পৰিমান বৃদ্ধি পায়; কিন্তু পটাছিয়াম, ছডিয়ামৰ স্থিৰকৰণ (Immobilization) হয়। মাটিত অনুজীৱৰ পৰিমান কমে। বীজৰ অংকুৰণতও ইহঁতে বাধা প্ৰদান কৰে। উদ্ভিদৰ শিপাৰ ক্ষতি পৰ্য্যন্ত তৈল প্ৰদূষণে ঘটায়। এইবোৰ প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে উদ্ভিদ জোপাৰ মৃত্যু ঘটাটো অস্বাভাবিক নহয়। খাৰুৱা তেলৰ লগতে অহা 'ডিকৰমেচন পানী' খেতি পথাৰত সোমালে খেতি সমূলঞ্চে ধংস হয়। তৈল ক্ষেত্ৰত ওচৰ-পাজৰৰ মাটিত সীহ, তাম, দস্তা, লো আদি বৃদ্ধি পায়। এই গধুৰ ধাতুবোৰ ধান গছ আদিয়ে শিপাৰ জৰিয়তে শোষণ কৰি ধান গুটিত জমা কৰে। উক্ত ধান ভক্ষনৰ ফলত জীৱদেহত নানা ধৰণৰ জটিল ৰোগে দেখা দিব পাৰে। এইদৰে তেল খননে মাটি প্ৰদূষণৰ এক গৰিষ্ঠ অংশলৈ আহিছে।

পেট্ৰলিয়ামে যে একমাত্ৰ মাটিতে প্ৰদুষণ কৰে এনে নহয়, পানী প্ৰদূষণৰ বাবে প্ৰধানত জগৰীয়া ইয়েই। সাগৰ-মহাসাগৰৰ প্ৰদূষণৰ মূল কাৰণ পেট্ৰ'লিয়াম। কল—কাৰখানাৰ পেলনিয়া ৰাসায়নিক দ্ৰব্যৰ কথা নকলোৱে যেনিবা। সাগৰৰ মাছ, শামুক আদি জীৱ তৈল প্ৰদূষণৰ ফলতও মৃত্যু ঘটে। সাগৰৰ অন্য বহুত জীৱ প্ৰদূষিত বস্তু জমা হৈ খোৱাবো অনুপযোগী হৈ পৰে।

মুঠৰ ওপৰত প্ৰদূষণ যি ভাবে নঘটক কিয় ইয়াক ৰোধ কৰাটোহে বৰ্ত্তমান প্ৰধান কাম। প্ৰদূষণ ৰোধৰ নানান উপায় বিজ্ঞানে আমাক দিছে। ইয়াৰ বাবে আমাক মোটা অংকৰ ধনৰ টোপোলাৰ প্ৰয়োজন নহয়; মাথো সঁচা অৰ্থত বিশ্বধনক ভালপোৱা দৰ্কাৰ।

বায়ু, মাটি আৰু শব্দ প্ৰদূষণ ৰোধ কৰাৰ সহজ উপায় বৃক্ষৰোপণ। বৰ্ত্তমান যিটো হাৰত উদ্ভিদ নিধন হব ধৰিছে তাৰফলত

পৃথিৱীত মানুহৰ অৱস্থা ডাইনোচৰাছৰ দৰে হবলৈ কিমান পৰ বাকী ? নিম; আহঁত, অশোক; জামু; আমলখি আদি গছ উৎকৃষ্ট শব্দ শোষক। সেয়ে এই ধৰণৰ উদ্ভিদ ৰোপণ কৰাত গুৰুত্ব প্ৰদান কৰিব লাগে। ইয়াৰ পিছৰ পৰ্য্যায়ত উদ্ভিদৰ বৃদ্ধি কিভাৱে কৰিব পাৰি তাৰ ওপৰত আলোচনা কৰা হব। মটৰগাড়ী; কলকাৰখানা আদিৰ ধোঁৱাই বায়ু প্ৰদূষণৰ সিংহভাগ গ্ৰহণ কৰে। সেয়ে কঠোৰ আইন প্ৰয়োগ কৰি হলেও কলকাৰখানাৰ ধোঁৱা ওলোৱা চিমনিবোৰ বহু ওখলৈ সজোৱাটো বাধ্যতামূলক কৰিব লাগে। একেদৰে মটৰগাড়ীৰ যান্ত্ৰিক বিজুটি ৰোধ কৰি ধোঁৱাৰ পৰিমান কমাব লাগে। জাপানৰ প্ৰখ্যাত মটৰগাড়ী নিৰ্ম্মানকাৰী কোম্পানী নিছান আৰু মিটছুবিছি এ শেহতীয়াভাৱে প্ৰদূষণ মুক্ত মটৰ গাড়ীৰ মডেল উদ্ভাৱন কৰিছে। এই মটৰ গাড়ীৰ সৃষ্টি মাক কম্পিউটাৰৰ জৰিয়তে নোহোৱা কৰিব পাৰি আৰু ই সম্পূৰ্ণ বেটাৰীৰ ওপৰত নিৰ্ভৰশীল হব। সেয়ে ইয়াৰ পৰা বায়ু লগতে প্ৰদূষণৰ সম্ভাৱনাও নেথাকিব। বিজ্ঞানে বৰ্ত্তমান যি ভাৱে যন্ত্ৰচালিত মটৰ গাড়ীৰ ওপৰত গুৰুত্ব দিছে; তেনেদৰে বাইচাইকেলৰ ওপৰতও গুৰুত্ব দিয়া বাঞ্চনীয়। এইবাবে যে ই সম্পূৰ্ণভাৱে প্ৰদূষণ মুক্ত তথা খৰচ সীমিত। উক্ত কথা বিবেচনা কৰি ইংলেণ্ডৰ দৰে দেশবোৰে ৰিক্সা চলোৱাৰ ওপৰত গুৰুত্ব দিছে। এটা সময়ত চাইকেলৰ ওপৰত বহুত পৰীক্ষা – নিৰীক্ষা হৈছিল। তেতিয়াই 'ভেক্টৰ ছিংগল', 'ভেক্টৰ টেনডেম' নামৰ দুখন চাইকেল ( যাৰ বেগ ক্ৰমে ৯৬ কিঃ মিঃ / ঘণ্টা আৰু ১০৭ কি. মি. / ঘণ্টা ) আমেৰিকাত ওলায়। বৰ্ত্তমান ভেক্টৰ টেনডেম পৃথিৱীৰ আটাইতকৈ বেগী চাইকেল। এই জাতীয় চাইকেল সৰ্বসাধাৰণৰ বাবে যদি বজাৰত উলিয়াই দিয়া যায়, মটৰ-গাড়ীৰ ব্যৱহাৰ কমিব। আনুসাংগিক ভাৱে কমিব প্ৰদূষণ তথা বায়ু প্ৰদূষণ। বিজ্ঞানৰ ধনাত্মক দিশ আগুৱাই যোৱাৰ লগে লগে ধনাত্মক দিশ এটাও হেণ্ডাৰ স্বৰূপে থিয় দিছে। পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ তাবেই সাক্ষী। হিৰোচিমা, নাগাচাকিৰ লিটল বয় আৰু ফেটমেনৰ কথা কোনে পাহৰিছে ? সেয়ে পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰৰ যতি পেলাব লাগে, শেষ হব লাগে পাৰমাণৱিক অস্ত্ৰৰ পৰীক্ষা-নিৰীক্ষা। আগতে কোৱাৰ দৰে আমাক লাগে সঁচা অৰ্থত বিশ্বখনক ভালপোৱা মানুহ ( আইনষ্টাইন আদিৰ দৰে ! )। মানুহৰ সেৱাৰ বাবে সৃষ্টি কৰা নিউক্লিয় ৰিয়েক্টৰবোৰ জানো কম ভয়াবহ। ছাৰনোবিল ( Chernobyl ) ৰ ঘটনাই মানৱ সভ্যতাব কলংকিত অধ্যায়। ১৯৮৬ চনৰ ২৬ এপ্ৰিল তাৰিখৰ নিশা ১.২৩ বজাত ছাৰনোবিলৰ চতুৰ্থ ৰিয়েক্টৰে ১০০ টন কংক্ৰিটৰ বেহুভেদ কৰি ছাৰনোবিল আকাশ তেজষ্ক্ৰিয় পদাৰ্থৰে ভৰাই পেলাইছিল। শ-শ লোক দুৰ্ঘটনাত পতিত হৈছিল। হেজাৰজন ঘূণীয়া হৈছিল। বৰ্ত্তমান মুহুৰ্ত্তলৈকে তেজষ্ক্ৰিয় পদাৰ্থৰ প্ৰভাৱত সেই অঞ্চলৰ বহু শিশু বিকলাংগ হৈ জন্ম লৈছে, বহন কৰিছে বিভিন্ন প্ৰকাৰৰ মাৰাত্মক ৰোগ। —About 90 times worse than the atomic bomb dropped by the united states on Hiroshima and Nagasaki ( Front line ) একেদৰে পাহৰিব নোৱাৰি ভুপালৰ গেছ দুৰ্ঘটনাৰ কথা। মানৱ সভ্যতাই শিখৰত ভৰি পেলোৱাৰ আগমুহুৰ্ত্তত পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰই প্ৰধান হেণ্ডাৰ হিচাপে ভেটা

দিছে। যি অঞ্চলত পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰ কৰা হয়, সেই অঞ্চলৰ আকাশ বতাহ বিষময় হৈ উঠে। আকাশত তেজস্ক্ৰিয় বিক্ৰিয়া বহু বহু বছৰলৈ ঘটিয়েই থাকে, যিয়ে জীৱ জগতক তিল তিলকৈ মৃত্যু মুখলৈ আগবঢ়াই নিয়ে। এতিয়া আৰু আমি হিৰোচিমা নাগাচাকি কিম্বা ছাৰনোবিলৰ ভয়াবহ অমবস্যাৰ এন্ধাৰ নিবিচাৰো। সেয়ে নিউক্লিয় শক্তি উৎপন্নৰ ক্ষেত্ৰত তাত্বিক সতৰ্ক হোৱা উচিত লগতে পাৰমাণৱিক অস্ত্ৰৰ উৎপন্ন সম্পূৰ্ণভাৱে নিৰ্মূল কৰিব লাগে।

পানী, মাটি প্ৰদূষণত বিশেষ অৰিহণা আগবঢ়াই কল-কাৰখানাৰ পেলনীয়া ৰাসায়নিক দ্ৰব্যবোৰে। এই সব দ্ৰব্য পেলাই দিয়াৰ পাচত ইয়াৰ ধ্বংসৰ প্ৰতি কোনো ধৰণৰ গুৰুত্ব প্ৰদান কৰা নহয়। সেয়ে চৰকাৰে এই ধৰণৰ কল-কাৰখানাৰ প্ৰতি শাস্তিমূলক বিধান সৃষ্টি কৰিব লাগে। মাটি প্ৰদূষণৰ অন্য এটা কাৰণ হল ৰাসায়নিক সাৰ প্ৰয়োগ। অধিক ফচলৰ বাবে ৰাসায়নিক সাৰ প্ৰয়োগ কৰা হয় যদিও ই জীৱদেহ বা মাটিৰ বাবে মাৰাত্মক। ফচল তথা মাটিৰ উৰ্বৰতা বৃদ্ধিৰ বাবে জৈৱ সাৰেই অধিক উপযুক্ত বুলি বিজ্ঞানে মতপোষণ কৰে।

বায়ু প্ৰদূষণে যে, পৃথিৱীখনক এক ভয়াবহ ভৱিষ্যতলৈ ঠেলি লৈ গৈছে তাক পুনঃ দোহৰাৰ প্ৰয়োজন নাই। উদ্ভিদৰ অভাৱনীয় হ্ৰাসে ইয়াক বহু ওপৰলৈ লৈ গৈছে সেয়ে উদ্ভিদৰ বৃদ্ধিত সকলো শ্ৰেণীৰ লোকে সমানে গুৰুত্ব প্ৰদান কৰাৰ প্ৰয়োজন আহি পৰিছে। হিমাচল প্ৰদেশত সুন্দৰ্লাল লাল গাঢ়োৱালৰ নেতৃত্বত গঢ় লৈ উঠা চিপক' আন্দোলনৰ আজি আকৌ প্ৰয়োজন হৈছে জন্মদিন, বিবাহ আদিত একোজোপাকৈ উদ্ভিদ ৰোপণ কৰি সেই দিনটো চিৰস্মৰণীয় কৰিব পাৰি। সেইদৰে ডেকা-ডেকেৰী চামৰ মাজতো নতুন বছৰ নাইবা অন্য কিছুমান উল্লেখনীয় দিনত শুভেচ্ছাৰ চিন স্বৰূপে গছ পুলি দিয়াটো অভ্যাসত পৰিণত কৰিব লাগে। যিহেতু মানুহৰ বিভিন্ন ক্ষেত্ৰত প্ৰয়োজন আহি পৰাৰ বাবে মূল্যবান গছবোৰ জীয়াই ৰখাটো কঠিন হৈ পৰিছে, সেয়ে ৰাষ্টাৰ দাঁতিতেই হওঁক কিম্বা অৰণ্য গঢ়ি তোলাৰ ক্ষেত্ৰতে হওঁক মূল্যবান উদ্ভিদৰ ঠাইত অমৰা, ৰবাব টেঙা, নিম, বগৰী আদি ৰোপণ কৰা উচিত। ইয়াৰ দ্বাৰা মানৱ সমাজে ফলমূলৰ অভাৱ তথা বায়ু নাশক প্ৰদূষণৰ পৰা কিছু পৰিমাণে হলেও সহায় পাব। মুঠৰ ওপৰত কথা হল মানৱৰ সজাগতা সকলো দিশতে বাঞ্চনীয়। এই ক্ষেত্ৰত ছেৰিফুলৰ দেশ জাপানৰ উদাহৰণ এটা আগবঢ়াব পাৰি। জাপানত এবাৰ এটা ৰাস্তা বন্ধাৰ বাবে কেইজোপামান ছেৰিফুলৰ গছ কাটিব লগাত পৰিছিল। কিন্তু সেই দেশৰ সতৰ্ক নাগৰিকে আদালতত মোকৰ্দমা পৰ্য্যন্ত কৰি সেই ৰাষ্টাটো অন্যফালে নিয়া হৈছিল, যাৰ বাবে বহু অৰ্থৰ লোকচান ভৰিব লগা হৈছিল জাপান চৰকাৰে। জাপানৰ তুলনাৰ ভাৰতবৰ্ষত সতৰ্কতা কিমান খিনি? অসমৰ জজ খেল পথাৰৰ গছৰ মুঢ়াবোৰে তাৰ মাপ কাঠি নহয় জানো?

**টোকা :** প্ৰবন্ধৰ এঠাইত ডাইনোছৰৰ কথা উল্লেখ কৰি ইয়াৰ বিলুপ্তিৰ কাৰণ প্ৰাকৃতিক প্ৰতিকূলতাৰ ভাব প্ৰকাশ কৰিব বিচৰা হৈছে যদিও, সম্প্ৰতি ডাইনোছ'ৰ বিলুপ্তিৰ মূল কাৰণ পৃথিৱীৰ সৈতে হোৱা গ্ৰহাণুপুঞ্জ বা উল্কাৰ সংঘৰ্ষৰ ফল হিচাপে আমেৰিকাৰ পদাৰ্থ বিজ্ঞানী লুই এলভাৰেজ আৰু তেখেতৰ পুত্ৰ ৱাল্টাৰ এলভাৰেজে প্ৰতিপন্ন কৰিছে।

(বিভিন্ন আলোচনীৰ সহায় লৈ)

# ভাৰতবৰ্ষৰ ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ অৱস্থা আৰু সামাজিক দায়বদ্ধতা

শ্ৰীনবীন চন্দ্ৰ মুদিয়াৰ
প্ৰবক্তা, ভূগোল বিভাগ

দেশৰ উৎপাদন ব্যৱস্থাৰ চালিকা শক্তি হিচাপে জন সংখ্যাৰ গুৰুত্ব অধিক। মানৱ সম্পদৰ প্ৰয়োগে একোখন দেশৰ ভৱিষ্যতৰ দিশ সুন্দৰ ভাৱে নিৰূপণ কৰিব পাৰে। মানৱ শক্তিক প্ৰয়োগ কৰিবলৈ বিশ্বযুদ্ধৰ সময়ত কম কিছুমান জনবহুল দেশেই বেছি জনবহুল দেশৰ লগত মিত্ৰতা স্থাপন কৰিবলৈ বাধ্য হৈছিল। প্ৰাক্ স্বাধীনতাৰ সময়ত চীন দেশৰ ভাগি পৰা অৰ্থনৈতিক স্বাধীনতাৰ পিচত সাম্যবাদী চিন্তাধাৰাত প্ৰতিস্থিত মাওঁ চে টুঙৰ নেতৃত্বত প্ৰতিস্থিত চৰকাৰখনে সুন্দৰ ভাবে গঢ় দিবলৈ সক্ষম হৈছিল একমাত্ৰ সেই দেশৰ সচেতন জনসাধাৰণৰ উমৈ-হতীয়া প্ৰচেষ্টা আৰু জন শক্তিৰ বাস্তৱ প্ৰয়োগত। জনগণৰ কাম কাজৰ যদি নিৰ্দ্দিষ্ট কোনো উন্নতিৰ পৰিকল্পনা নাথাকে তেতিয়াহলে যি কোনো দেশৰ যি কোনো সমাজত বিশৃংখলাই দেখা দিয়াৰ সম্ভাৱনাই বেচি। বিশেষকৈ তৃতীয় বিশ্বৰ দেশ বিলাকত সেইটো দেখিবলৈ পোৱা যায়। সম্প্ৰতি ভাৰতবৰ্ষত ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ অৱস্থাই ভয়াবহ ৰূপ ধাৰণ কৰিব ওলাইছে। ইয়াৰ পৰা উদ্ভৱ হ'ব পৰা সামাজিক ব্যাধি আৰু সামাজিক দায়বদ্ধতা বা সচেতনতা সম্পৰ্কে কিছু কথা আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। প্ৰথমতে তথ্যভিত্তিক জন সংখ্যাৰ অৱস্থাটো চোৱা প্ৰয়োজন।

জনসংখ্যাৰ গাঠনিটো লক্ষ্য কৰিলে ভাৰতবৰ্ষৰ বৈচিত্ৰ্যৰ বিষয়ে জানিব পাৰোঁ। প্ৰধানকৈ নিগ্ৰটইজ, প্ৰটঅষ্ট্ৰলইড্, মঙ্গলইড্, মেডিটেৰেনিয়ান, ব্ৰেচিচেফেলচ্ আৰু নৰ্ডিক জনগোষ্ঠী আদিৰ পৰাই উদ্ভৱ হোৱা জনগণক ভাৰতৰ মাটিত সিচৰিত হৈ থকা দেখিবলৈ পাওঁ। জনসাধাৰণৰ গাঠনিৰ ভিন্নতা ভাৰতৰ বিশাল বিসদৃশ ভূ-প্ৰাকৃতিক পৰিৱেশেই নিয়ন্ত্ৰণ কৰি আছে। সাংস্কৃতিক ভূ-প্ৰকৃতি বিশেষকৈ হিমালয়ৰ নবীন ভঙ্গিল পৰ্ব্বতমালাৰ পৰা দক্ষিণৰ গণ্ডোৱানা মালভূমিলৈ আৰু পৃথিৱীৰ আটাইতকৈ আৰ্দ্ৰ অঞ্চলৰ পৰা আটাইতকৈ শুষ্ক অঞ্চললৈ উত্তৰ পূৱ ভাৰতৰ গভীৰ ক্ৰান্তীয় বনভূমিৰ পৰা উত্তৰ-পশ্চিমৰ একেবাৰে মেৰু অঞ্চললৈ থকা ভূ-অভিনতিয়ে ভিন্ন সাংস্কৃতিক

সত্বাক ধৰি ৰাখি আছে। কম বেচি পৰিমাণে হ'লেও এই ঠাই বিলাকত জন সংখ্যাৰ বিতৰণ আছে। ভাৰতীয় জনস্মৃতিৰ সংমিশ্ৰণ পৰিভ্ৰমণ-শীল বিভিন্ন সামাজিক গোট, আৰ্থিক আৰু সাংস্কৃতিক ভাবে প্ৰভাৱশীল জন সচেতনৰ সংযোগৰ ফলতেই সৃষ্টি হৈছে। কৃষি ভিত্তিক সামাজিক গোট সমূহে সংগঠিত ভাবে সৃষ্টি কৰা ঐতিহাসিক পটভূমিয়ে ভাৰতীয় জাতিটোক শক্তিশালী কৰাত সহায় কৰিছে।

আয়তনত ভাৰতবৰ্ষ পৃথিবীৰ ভিতৰতে ৭ম বৃহত্তম আৰু জনসংখ্যাৰ ফালৰ পৰা ২য় বৃহত্তম ৰাষ্ট্ৰ, ১৯৯১ চনৰ লোক পিয়লমতে মুঠ জন সংখ্যাৰ পৰিমাণ হ'ল ৮৪, ৩৯, ৩০ ৮৬১। ইয়াৰ ভিতৰত পুৰুষ হ'ল ৪৩, ৭৫, ৯৭৯২৭ জন আৰু মহিলা হ'ল ৪০, ৬৩৩, ২৯৩২ জনী। বিশ্বৰ মুঠ জন-সংখ্যাৰ অকল ভাৰতবৰ্ষত ১৬ শতাংশ আছে। পৃথিবীৰ প্ৰথম জনবহুল চীন দেশেই বিশ্বৰ জন-সংখ্যাৰ মুঠ শতাংশৰ ২১.৭% বহন কৰি আছে, ৰাছিয়াই ৬ শতাংশ আৰু আমেৰিকা যুক্ত ৰাষ্ট্ৰই ৫ শতাংশ অৰ্থাৎ এই চাৰিখন দেশে গোটেই গ্ৰীন হাউচৰ ৪৮.৭ শতাংশ প্ৰায় আধাখিনি, জনসংখ্যা ধৰি ৰাখিবলৈ সমৰ্থ হৈছে। ভাৰতৰ জনসংখ্যাৰ বৃদ্ধিৰ ধাৰাটো লক্ষ্য কৰিলে বৰ আচৰিত হ'ব লগা কথা। ১৬০০ শতিকাত ধাৰণা কৰা মতে ভাৰতৰ জনসংখ্যা আছিল প্ৰায় ১০ কোটি। ১৮৭১ চনত বাঢ়ি গৈ প্ৰায় ২৫.৪ কোটি হয়গৈ। ১৯৩১ চনৰ পৰা ১৯৯১ চনলৈ ইয়াৰ বৃদ্ধিৰ ধাৰা তলত উল্লেখ কৰ ধৰণে দেখিবলৈ পোৱা যায়।

১৯৩১—২৭.৮৯ কোটি
১৯৪১—৩১.৮৬ „
১৯৫১—৩৬.১০ „
১৯৬১—৪৩.৯২ „
১৯৭১—৫৪.৮১ „
১৯৮১—৬৮.৫১ „
১৯৯১—৮৪.৩৯ „

ভাৰতবৰ্ষ বিভিন্ন ধৰ্মাবলম্বী লোকৰ অবাস-ভূমি। এইবিলাকৰ ভিতৰত হিন্দু ধৰ্মৰ ৮৪ শতাংশ, ইছলাম ধৰ্মৰ ১১.৩ শতাংশ, খৃষ্টান ধৰ্মৰ ২.৫ শতাংশ, শিখ ধৰ্মৰ ১.৯৬ শতাংশ, বৌদ্ধ ধৰ্মৰ ০.৭১ শতাংশ, আৰু জৈন ধৰ্মৰ ০.৪৮ শতাংশৰ লোকে বাস কৰে। সম্প্ৰতি ভাৰতত প্ৰতি বৰ্গ কিঃ মিঃ ত ২৬৭ জন লোকে বাস কৰে। অনুসূচীত জাতি আৰু জনজাতিৰ সংখ্যা হ'ল ১৯৩২ লাখ অৰ্থাৎ ১৫.৮ শতাংশ হ'ল জনজাতি লোকৰ। মুনিহ আৰু তিৰোতাৰ অনুপাত বৰ্ত্তমান অৱস্থাত ভাৰতবৰ্ষত প্ৰতি এহেজাৰত ৯২৯ জনী মাইকী মানুহ। ভাৰতৰ ভিতৰত কেৰল কেৰালা ৰাজ্যত মহিলাৰ সংখ্যা পুৰুষতকৈ বেচি। যদিও ভাৰতবৰ্ষত চাৰি হেজাৰতকৈ অধিক ভাষা-ভাষীৰ লোক আছে তথাপি আমি মাত্ৰ পোন্ধৰটা স্বীকৃত প্ৰাপ্ত ৰাষ্ট্ৰীয় ভাষা দেখিবলৈ পাওঁ আৰু ভাষিক ভাবে ১২ টা অঞ্চল আছে। জ্যামিতিক আকাৰত বৃদ্ধি পোৱা জন সংখ্যাৰ প্ৰাকৃতিক বৃদ্ধিৰ হাৰ হ'ল ২.০৩ শতাংশ। এই বিলাকৰ ভিতৰত উত্তৰ প্ৰদেশতেই ভাৰতৰ ভিতৰত জন্মহাৰ আটাইতকৈ বেচি। প্ৰায় ৩৭ জন প্ৰতি হেজাৰত। ইয়াৰ বিপৰীতে গোৱা

ৰাজ্যত জন্মৰ হাৰ মাত্ৰ ১৫.৫। আন ৰাজ্যৰ তুলনাত অৰুণাচল প্ৰদেশতেই মৃত্যুৰ হাৰ আটাইতকৈ বেছি অৰ্থাৎ প্ৰতি হেজাৰত ১৪.৪ জন। চণ্ডিগড়ত আটাইতকৈ কম মাত্ৰ ৩-৮ জন। শিক্ষা-দীক্ষাৰ ফালৰ পৰা ভাৰতবৰ্ষত যিমানখিনি শিক্ষিত লোকৰ হাৰ বৃদ্ধি পাব লাগিছিল তাৰ তুলনাত কম যদিও যোৱা দশকতকৈ এতিয়া বৃদ্ধি পাই ৫২.১১ শতাংশ হৈছে। এশ জনৰ ভিতৰত ৯০.৬ জন কেৰল ভাৰতৰ ভিতৰত কেৰালা ৰাজ্যত সৰ্বাধিক শিক্ষিত লোকৰ সংখ্যা৹ আনহাতে বিহাৰ ৰাজ্যত ইয়াৰ পৰিমাণ মাত্ৰ ৩৮.৫ শতাংশ। দেশৰ ভিতৰত কম। জীৱন জীবিকাৰ ভিতৰত ৭২ শতাংশৰ লোকেই কৃষিৰ ওপৰত প্ৰত্যক্ষ ভাবে নিৰ্ভৰশীল। কাৰিকৰী মাত্ৰ ১১ শতাংশৰ লোকে নিৰ্ভৰ কৰি জীৱন নিৰ্ব্বাহ কৰিব পাৰে। অন্যান্য ভাবে অৰ্থাৎ চাকৰি বাকৰিত নিৰ্ভৰ কৰি চলা লোকৰ সংখ্যা হৈছে ১৭ শতাংশ। ভাৰতীয় লোকৰ আন এটা ডাঙৰ বৈশিষ্টা হৈছে শতকৰা ৪৬ জনৰ ওপৰত নিৰ্ভৰ কৰি বাকী বিলাকে জীৱন নিৰ্ব্বাহ কৰে। কৃষিৰ পৰাই উৎপন্ন হয় জাতীয় আয়ৰ আধা আৰু প্ৰায় ৮২.৭ শতাংশৰ লোক গাৱঁত বসবাস কৰে। নগৰত বসবাস কৰা লোকৰ সংখ্যা মাত্ৰ ১৭.৩ শতাংশ। দেশখনৰ ভিতৰত মহাৰাষ্ট্ৰ ৰাজ্য খনতেই প্ৰতি এশ জনৰ ভিতৰত ৩৫ জন লোকে নগৰত বাস কৰে।

কুৰি শতিকাৰ ৩য় দশকৰ পৰা মাঠিৰ দশকলৈ জনসংখ্যা বৃদ্ধিৰ প্ৰৱণতা বৰ লেখত ল'বলগীয়া নহয়। কিন্তু এই শতিকাৰে সাত দশকৰ পৰা বৃদ্ধিৰ প্ৰাচুৰ্য্য বেচি উল্লম্বিক ভাবে বৃদ্ধি পোৱা দেখা যায়। আমি যেতিয়া চাবলৈ যাওঁ ১৯৩১-৪১ চনলৈ। সেই সময়ত বৃদ্ধিৰ পৰিমাণ দেখিবলৈ পাওঁ ৩৯.৬৮ নিযুত, ১৯৪১-৫১ চনলৈ বাঢ়ি গৈ ৪২.৪২ নিযুত, ১৯৫১-৬১ চনলৈ বৃদ্ধি পায় ৭৮.১৪ নিযুত, ১৯৭১-৮১ চনলৈ ১৩৭.০২ নিযুত আৰু ১৯৮১ চনৰ লোক পিয়লৰ পৰা ১৯৯১ চনৰ লোক পিয়ললৈ জনসংখ্যা বৃদ্ধি পায় ১৫৮.৭৪ নিযুত লোক। তিনিটা দশকৰ পৰা অৰ্থাৎ ১৯৩১-৬১ চনলৈ জনসংখ্যাৰ বৃদ্ধিৰ মুঠ পৰিমাণ হয় ১৬১ নিযুত। আনহাতে ১৯৬১ চনৰ পৰা ১৯৯১ চনলৈ বৃদ্ধিৰ মাত্ৰা হয় গৈ ৪০৪ নিযুত অৰ্থাৎ ১৯৬১-১৯৯১ চনলৈ জনসংখ্যাৰ শতকৰা বৃদ্ধিৰ হাৰ হয় ৯৮-৪। ১৯৮১-১৯৯১ চনৰ দশকৰ বৃদ্ধিৰ তথ্য অনুসৰি ১৫৮.৭৪ নিযুত লোকেই প্ৰতিবছৰে ১৫৮.৭৪ লাখ জনসংখ্যা বৃদ্ধি হোৱাটোকে প্ৰতিপন্ন কৰে। নাইবা ১৩.২২ লাখ প্ৰতিমাহে বৃদ্ধি নতুবা ১৮৩৭ জন লোক প্ৰতি ঘণ্টাত বা ৩১ জন প্ৰতি মিনিটত বৃদ্ধি পায়। ১৯৬১-৭১ চনৰ দশকটোৰ জনসংখ্যাৰ বৃদ্ধিৰ পৰিমাণ প্ৰতি মিনিটত আছিল ২১ জন, ১৯৫১-৬১ চনত প্ৰতি মিনিটত আছিল ১৫ জন, ১৯৪১-৫১ চনৰ দশকটোত প্ৰতিমিনিটত জনসংখ্যাৰ বৃদ্ধিৰ ধাৰা আছিল মাত্ৰ ৮ জন। ইয়াৰ পৰা সহজতে ওলাই পৰিছে যে আগৰ দশক কেইটাৰ তুলনাত এতিয়াৰ জনসংখ্যাৰ বৃদ্ধিৰ পৰিমাণটো অধিক। কিন্তু ১৯৭১-৮১ চনত বৃদ্ধিৰ শতকৰা হাৰ আছিল ২৪.৭ আৰু ১৯৮১-৯১ চনৰ ভিতৰত বৃদ্ধিৰ মাত্ৰা হয় শতকৰা ২৩.৫। উক্ত তথ্যই ইয়াকে দেখুৱায় যে আগৰ দশকৰ তুলনাত পিচৰ দশকৰ বৃদ্ধিৰ হাৰ কিছু কম। এইটো এটা শুভ লক্ষণ যে ভাৰতৰ দৰে দেশ

এখনত জনসংখ্যা বৃদ্ধিৰ প্ৰৱণতা কিছু হ্ৰাস হোৱাটো, তথাপি আমি জনসংখ্যা বৃদ্ধি হোৱাৰ ফলত ভাৰতবৰ্ষত যথেষ্ট সমস্যাই দেখা দিয়া কাৰ্য্য দেখিবলৈ পাওঁ।

১৯৯১ চনৰ লোকপিয়ল মতে ভাৰতবৰ্ষৰ জনসংখ্যাৰ তথ্য ভিত্তিক এটি আভাস পোৱা যায়। এইবোৰৰ পৰা আমি কিছু কথা উপলব্ধি কৰি ল'ব পাৰোঁ যে গোটেই বিশ্বত বসবাস কৰা জনসংখ্যাৰ ভিতৰত প্ৰতি ছয়জনৰ ভিতৰত এজন ভাৰতীয়। প্ৰতি তিনি সপ্তাহত ভাৰত বৰ্ষই প্ৰায় দহ লাখ জনসংখ্যাৰ প্ৰজনন দিব পাৰে। বিশ্বৰ ভিতৰত ভাৰতে প্ৰতি বছৰে এখন অষ্ট্ৰেলিয়া মহাদেশত থকা জনসংখ্যাৰ সমান জনসংখ্যা বৃদ্ধি কৰিব পৰা শক্তি আছে। আৰু একাদশ শতিকাৰ আগমুহূৰ্ত্তত ভাৰতে পৃথিবীৰ ভিতৰত ১ম জনবহুল দেশ ৰূপে পৰিগণিত হ'বলৈ সক্ষম হ'ব। ভাৰতবৰ্ষই একাদশ শতিকালৈ ১৬৪২.৮ নিযুত্ত জনসংখ্যালৈ আগবাঢ়ি আছে আৰু চীন দেশে ১৫৩০ নিযুতলৈ অগ্ৰসৰ হৈ আছে। সম্প্ৰতি চীনদেশৰ জনসংখ্যাৰ পৰিমাণ হ'ল ১১৬০ নিযুত। ভাৰতৰ এই যুগৰ ডেকা চামে আগৰ চামৰ ডেকাতকৈ তিনিগুণ প্ৰজনন দিব পৰা শক্তি আহৰণ কৰি আছে।

ভাৰতবৰ্ষত যে জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পাই আছে ইয়াৰ অন্তৰালত বহু কেইটা কাৰণ সন্নিবিষ্ট হৈ আছে। প্ৰধান কাৰণ বিলাকৰ ভিতৰত বৃহৎ পৰিমাণৰ জনসংখ্যাৰ আকাৰে জ্যামিতিক হাৰত জনসংখ্যা বৃদ্ধি কৰি সমস্যাৰ সৃষ্টি কৰিছে। দ্বিতীয় কাৰণটো চালি জাৰি চালে দেখিবলৈ পোৱা যায় যে ভাৰত এখন তৃতীয় বিশ্বৰ দেশ হিচাপে পৰিগণিত হৈ আছে বাবে ইয়াৰ জন্ম আৰু মৃত্যু হাৰৰ ব্যৱধানত পাৰ্থক্য বেচি এই কাৰণে জনসংখ্যাৰ বৃদ্ধিত প্ৰভাব বাৰুকৈয়ে পেলাইছে। তৃতীয় কাৰণটো হ'ল ভাৰতৰ বহু ঠাইত বাল্যবিবাহ কাৰ্য চলি থকা প্ৰথা। চতুৰ্থতে শিক্ষা-দীক্ষাৰ অভাব। অদূৰদৰ্শী লোকে বাস্তৱ ভিত্তিত কথাবিলাক চিন্তা কৰিব নোৱাৰাৰ ফলত জনসংখ্যা অধিক পৰিমাণে বৃদ্ধি কৰাত সহায় কৰিছে। পঞ্চমটো কাৰণ হ'ল অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামী। বংশ ৰক্ষাৰ নামত ধৰ্মক দোহাই দি নিজ জাতিক বৃহৎ আকাৰত ৰূপ দিয়াৰ ধাৰণাই জনসংখ্যা বৃদ্ধিত ইন্ধন যোগাই আছে। এইবিলাক কাৰণৰ উপৰিও আন এটা ডাঙৰ কাৰণ হ'ল পৰিয়াল পৰিকল্পণাৰ অভাব। শিক্ষা দীক্ষাৰ লগত জড়িত হৈ আছে যদিও বহুত শিক্ষিত লোকে সময়মতে ইয়াৰ ব্যৱস্থা নোলোৱাৰ ফলত জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পাই আছে। এই বিলাকে জাতীয় জীৱনত উন্নতিৰ পথত যথেষ্ট হেচা দি আছে।

ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ অৱস্থাই বিশেষকৈ দুটা দিশ নিৰূপণ কৰে এটা হ'ল ভাল আৰু আনটো বেয়া। বেয়া দিশটোই জনসংখ্যা বৃদ্ধিৰ ফলত কেনে ধৰণৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে আৰু জনসংখ্যা বৃদ্ধি ৰোধ কৰাৰ বাবে কেনে ধৰণৰ সতৰ্কতা অৱলম্বন কৰিব লাগে থুল-মূলকৈ আলোচনা কৰা হ'ল।

জনসংখ্যা বৃদ্ধিৰ ফলত বিশেষকৈ খাদ্য সংকটে দেখা দিয়ে। দেশত যি পৰিমাণে খাদ্য শস্য উৎপাদন কৰিব পৰা শক্তি আছে কিছু পৰিমাণে হলেও জন্মৰ হাৰে বিঘ্নিত কৰে।